www.newsnextone.com

# ই-সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, OCTOBER 15, 2024 ■ মঙলবাৰ।। ২৮ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৮১ Guwahati, Assam ।। মূল্যঃ এটকা


## মেইটেই, কুকিৰে আলোচনাৰ প্ৰস্তুতি

**ইম্ফল, ১৪ অক্টোবৰঃ** প্ৰায় ডেৰ বছৰীয়া গোষ্ঠীগত সংঘাতে আজিও অস্থিৰ কৰি ৰাখিছে ৪ পৃষ্ঠাত চাওক

## অসমত এটকা এক পইচাকৈ বঢ়াই দিলে পেট্ৰ'লৰ দাম

# আজিৰে পৰা মুম্বাইত টোলগেট 'ফ্ৰী'!

**ই-সংবাদ বিশেষ, ১৪ অক্টোবৰঃ** যিসময়ত অসমত প্ৰতিলিটাৰ পেট্ৰ'লৰ দাম এটকা এক পইছাকৈ বৃদ্ধি কৰাৰ লগতে নতুন নতুন টোলগেট মুকলি কৰিবলৈ চৰকাৰ তৎপৰ হৈ পৰিছে সেইসময়তে বিজেপি শাসিত আন এখন ৰাজ্য মহাৰাষ্ট্ৰত টোলগেট একপ্ৰকাৰ শেষাংশ ৬ পৃষ্ঠাত



কলিয়াবৰৰ ছলুঙত সাজু কৰা হৈছে টোলগেট

## ফণী শৰ্মাৰ প্ৰশংসাত পঞ্চমুখ হাৰিয়ানাৰ মুখ্যমন্ত্ৰী

**ই-সংবাদ, ১৪ অক্টোবৰঃ** এটা দিন আৰু এটা নিশা অসমত কটাই যোৱা হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং ছৈনীৰ সোঁৰে-বাঁৱে থাকিল সৰ্বানন্দ সোণোৱাল পন্থী নেতাসকল। সৰ্বানন্দ সোণোৱাল পন্থীৰ নেতা বুলি চৰ্চিত শেষাংশ ৪ পৃষ্ঠাত

## কাশ্মীৰত ৰাষ্ট্ৰপতি শাসন প্ৰত্যাহাৰ

**শ্ৰীনগৰ, ১৪ অক্টোবৰঃ** ৬ বছৰৰ অন্তত জম্মু আৰু কাশ্মীৰত সমাপ্ত হ'ল ৰাষ্ট্ৰপতি শাসন। আজি কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগে আনুষ্ঠানিক পত্ৰ জাৰি কৰি শেষাংশ ২ পৃষ্ঠাত

## হঠাৎ অসুস্থ উদ্ধৱ থাকৰে


**মুম্বাই, ১৪ অক্টোবৰঃ** মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনক লৈ চৰম ব্যস্ততাৰ মাজতে অসুস্থ হৈ পৰিছে প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে। হৃদৰোগৰ পৰীক্ষাৰ বাবে শেষাংশ ৩ পৃষ্ঠাত

## বিজেপি নেতাৰ দাবী কৰ্কট ৰোগ হ'লে শুৱ লাগে গোহালিত!

**লক্ষ্ণৌ, ১৪ অক্টোবৰঃ** গোহালি পৰিষ্কাৰ কৰিলে আৰু গোহালিত শুলে পৰিত্ৰাণ পাব পাৰি কৰ্কট ৰোগৰ পৰা! গোবৰ আৰু শেষাংশ ৩ পৃষ্ঠাত


## বিদেশ নীতি! কানাডাও হৈ পৰিল শত্ৰু

**নতুন দিল্লী, ১৪ অক্টোবৰঃ** অৱশেষত চৰম সীমাত উপনীত হৈছে কানাডাৰ সৈতে ভাৰতৰ সংঘাত। কানাডা চৰকাৰে হত্যাৰ গোচৰত



ভাৰতীয় কূটনীতিবিদ জড়িত থকাৰ প্ৰমাণ পোৱা বুলি দাবী কৰাৰ পিছতে নতুন দিল্লীয়ে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰা দেখা গৈছে। এই অনুযায়ী কানাডাৰ পৰা ভাৰতীয় উচ্চায়ুক্তক দেশলৈ উভতাই অনাৰ উপৰিও নতুন দিল্লীয়ে কানাডাৰ ৰাষ্ট্ৰদূতকে ধৰি ছয়জন শেষাংশ ২ পৃষ্ঠাত

## 'সামাজিক সংস্থাৰ ভূমিকা' জেমছ, ছাইমন, ডেৰনলৈ অৰ্থনীতিৰ নোবেল পুৰস্কাৰ



**ষ্টকহোম, ১৪ অক্টোবৰঃ** ঘোষণা কৰা হৈছে ২০২৪ বৰ্ষৰ অৰ্থনীতিৰ নোবেল বিজয়ীৰ নাম। সোমবাৰে ৰয়েল ছুইডিছ একাডেমীয়ে ঘোষণা শেষাংশ ২ পৃষ্ঠাত

## 'ব্ৰইলাৰ'ৰ মৃতদেহ উদ্ধাৰ, মৰিগাঁৱত চাঞ্চল্য

**ই-সংবাদ, মৰিগাঁও/লাহৰীঘাট, ১৪ অক্টোবৰঃ** মৰিগাঁও জিলা কাৰাগাৰৰ পৰা বৃহস্পতিবাৰে মাজনিশা চিনেমাৰ কায়দাৰে পলায়ন কৰা পাঁচ দুৰ্ধৰ্ষ আচামীৰ ভিতৰৰে আব্দুল ৰছিদ ওৰফে ব্ৰইলাৰ নামৰ কয়দীটোৰ শেষাংশ ৫ পৃষ্ঠাত

## প্ৰতিনিধিৰ আৱশ্যক

'ই-সংবাদ'ৰ বাবে তেজপুৰ, যোৰহাট, লখিমপুৰ, ধেমাজি, ডিব্ৰুগড়, ডিফু আৰু মঙলদৈৰ পৰা প্ৰতিনিধিৰ আৱশ্যক। নিম্নোক্ত নম্বৰত হোৱাটছএপ কৰিব পাৰে। নম্বৰঃ ৯৩৬৫২২৫২৪৮।

## জাহাজ, চিলিঙাৰ এৰি হাতীৰ পিঠিত উঠিবলৈ আহ্বান

## লুৰীণ, অখিলক অনুপ চেতিয়াৰ পৰামৰ্শ

**ই-সংবাদ, চাবুৱা, ১৪ অক্টোবৰঃ** দীৰ্ঘ দিনৰ অন্তত পুনৰবাৰ প্ৰাণ পাই উঠিল অসম গণ পৰিদ দলৰ মজিয়া। তিনিটা দশক ধৰি অসমৰ একমাত্ৰ আঞ্চলিক দল হৈ থকা







অগপক বিগত এটা দশকত নতুনকৈ প্ৰতিষ্ঠা হোৱা কেইবাটাও আঞ্চলিক দলে প্ৰত্যাহ্বান জনোৱাৰ সময়তে অসম গণ শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাশ্মীৰত ৰাষ্ট্ৰপতি শাসন প্ৰত্যাহাৰ

ৰাষ্ট্ৰপতিৰ শাসনৰ প্ৰত্যাহাৰৰ কথা ৰাজহুৱা কৰিছে। কেন্দ্ৰীয় শাসিত ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন সমাপ্তিৰ পাছতে কেন্দ্ৰীয় শাসিত এলেকাটোত ৰাজ্য চৰকাৰ গঠনৰ দিশ প্ৰশস্ত হ'ল। ধাৰা ৩৭০ প্ৰত্যাহাৰ কৰাৰ পাছৰে পৰা জম্মু-কাশ্মীৰত ৰাষ্ট্ৰপতিৰ শাসন কাৰ্যকৰী কৰা হৈছিল। ২০১৯ চনত লোকসভা আৰু ৰাজ্যসভাত ধাৰা ৩৭০ প্ৰত্যাহাৰৰ বিধেয়ক গৃহীত হোৱাৰ পাছতে জম্মু-কাশ্মীৰক দুখন পৃথক কেন্দ্ৰীয় শাসিত ৰাজ্য কৰা হয়। তাৰ লগতে ২০১৯ চনৰ ৩১ অক্টোবৰত ৰাষ্ট্ৰপতি শাসন কাৰ্যকৰী কৰা হৈছিল। তেতিয়াৰ পৰাই চৰকাৰ অবিহনে ৰাজ্যপালে চলাই আছে জম্মু-কাশ্মীৰ কেন্দ্ৰীয় শাসিত ৰাজ্যখনক। ৬ বছৰৰ অন্তত দেওবাৰে কেন্দ্ৰ চৰকাৰৰ গৃহ বিভাগে জাৰি কৰিছে নিৰ্দেশনা। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু স্বাক্ষৰিত কেন্দ্ৰীয় চৰকাৰৰ অধিসূচনাত কোৱা হৈছে যে জম্মু আৰু কাশ্মীৰ পুনৰ গঠন আইন, ২০১৯ৰ অনুচ্ছেদ ৭৩ আৰু ভাৰতীয় সংবিধানৰ ২৩৯ আৰু ২৩৯-ক অনুচ্ছেদ অনুসৰি কেন্দ্ৰীয় শাসিত জম্মু-কাশ্মীৰ অঞ্চলৰ কাৰ্যকৰী পূৰ্বৰ আদেশ জৰুৰী ভিত্তিত প্ৰত্যাহাৰ কৰা হৈছে। ৰাষ্ট্ৰপতি শাসন প্ৰত্যাহাৰৰ পিছতে ১৬ অক্টোবৰৰ পুৱা ১১:৩০ বজাত জম্মু-কাশ্মীৰত নতুন চৰকাৰৰ বাবে শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। জম্মু আৰু কাশ্মীৰৰ লেফটেনেণ্ট গভৰ্ণৰ মনোজ সিনহাই ইণ্ডিয়া মিত্ৰজোঁটৰ নেতা তথা বিধায়িনী দলৰ নেতা ওমৰ আব্দুল্লাক নতুন চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাইছে। ওমৰ আব্দুল্লাত প্ৰদান কৰা পত্ৰখনত কোৱা হৈছে যে জম্মু-কাশ্মীৰ চৰকাৰ গঠন আৰু নেতৃত্ব দিবলৈ আপোনাক আমন্ত্ৰণ জনাই আনন্দিত। ওমৰ আব্দুল্লাই সোমবাৰে ছ'চিয়েল মিডিয়াত এই পত্ৰখনৰ এটা প্ৰতিলিপি শ্বেয়াৰ কৰি কয় যে এলজিৰ প্ৰধান সচিব মনোজ সিনহাক অভ্যৰ্থনা কৰি আনন্দিত। তেওঁ জম্মু-কাশ্মীৰত পৰৱৰ্তী চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনায়। উল্লেখ্য যে, তিনিটা পৰ্যায়ত জম্মু-কাশ্মীৰত নিৰ্বাচন অনুষ্ঠিত হৈ যোৱাৰ পাছতে ৮ অক্টোবৰত ফলাফল ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি কংগ্ৰেছ-নেচনেল কনফাৰেন্সে ৪৮ খন আসনত জয়ী হয়। পাছত আপৰ এজন বিধায়ক আৰু চাৰি নিৰ্দলীয়াই কংগ্ৰেছ-নেচনেল কনফাৰেন্সৰ জোঁটক সমৰ্থন কৰাৰ ঘোষণা কৰিছে। মুঠ চৰকাৰৰ পক্ষত ৫৬ জন বিধায়কৰ সমৰ্থন লাভ কৰিছে। এনেদৰে এতিয়া ১০ বছৰৰ অন্তত কাশ্মীৰে লাভ কৰিব নতুন চৰকাৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জেমছ, ছাইমন, ডেৰনলৈ অৰ্থনীতিৰ

কৰে এই বৰ্ষত অৰ্থনীতিত নোবেল বঁটা লাভ কৰা তিনিগৰাকী অৰ্থনীতিবিদৰ নাম। উল্লেখ্য যে, তুৰস্কৰ বংশোদ্ভুৰ ডেৰন আচেমোগ্লু, ইংলেণ্ডৰ চাইমন জনছন আৰু আমেৰিকাৰ জেমছ এ ৰবিনছনক যৌথবাৰে ২০২৪ বৰ্ষৰ অৰ্থনীতিৰ নোবেল বঁটাৰ বাবে মনোনীত কৰা হৈছে। এইবাৰৰ নোবেল বঁটা লাভ কৰা তিনিওগৰাকী অৰ্থনীতিবিদেই বৰ্তমান আমেৰিকাৰ বাসিন্দা। প্ৰণিধানযোগ্য যে, এই বৰ্ষৰ অৰ্থনীতিৰ নোবেল বিজয়ীসকলৰ গৱেষণাৰ বিষয় আছিল ঘৰুৱা সমৃদ্ধিত সামাজিক প্ৰতিষ্ঠানৰ ভূমিকা। সামাজিক প্ৰতিষ্ঠানসমূহ কেনেকৈ গঠন হয় আৰু ইয়াৰ প্ৰভাৱ সামগ্ৰিক সমৃদ্ধিৰ ওপৰত কেনেধৰণে পৰে, সেই বিষয়ে তেওঁলোকে দীৰ্ঘদিন ধৰি গৱেষণা কৰি আহিছে। নোবেল কমিটীৰ (অৰ্থনীতি) অধ্যক্ষ জেকব স্ভেনছনে কয়, "দুখন দেশৰ আয়ৰ ব্যৱধান হ্ৰাস কৰাটো সেই সময়ৰ এক ডাঙৰ প্ৰত্যাহ্বান। এই তিনিগৰাকী অৰ্থনীতিবিদে দেখুৱাইছে যে সেই বৈষম্য দূৰ কৰাত সামাজিক প্ৰতিষ্ঠানসমূহৰ মুখ্য ভূমিকা আছে। যিবোৰ দেশৰ সামাজিক নীতি-নিয়ম শোষণমূলক, সেইবোৰ দেশ বিশেষভাৱে সমৃদ্ধিশালী সমাজ হ'ব নোৱাৰে। তিনিওগৰাকী অৰ্থনীতিবিদে গৱেষণাৰ জৰিয়তে সেই কথা প্ৰমাণ কৰিছে।" এই সন্দৰ্ভত বিশদ বৰ্ণনা কৰি নোবেল বঁটা কমিটীয়ে কয় যে যেতিয়া ইউৰোপীয়সকলে বিশ্বৰ দেশসমূহক উপনিবেশিকৰণ কৰিবলৈ আৰম্ভ কৰিলে, তেতিয়া সেই সমাজসমূহৰ প্ৰতিষ্ঠানসমূহো সলনি হ'ল। ইউৰোপীয়সকলেই সেই দেশসমূহত সুবিধাৰ বাবে নতুন ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থা গঢ়ি তুলিছিল। কিন্তু দেখা গৈছে যে তেতিয়া যিবোৰ উপনিবেশ ধনী আছিল, এতিয়া সেইবোৰ দুখীয়া; আৰু সেই সময়ত যিবোৰ উপনিবেশ দুখীয়া আছিল, সেইবোৰ সময়ৰ লগে লগে সমৃদ্ধিশালী হৈ পৰিছে। ইয়াত গুৰুত্বপূৰ্ণ কথাটো হ'ল সমাজত ধন কেনেকৈ বিতৰণ কৰা হয় আৰু সমাজত কাৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা আছে। কেতিয়াবা জনসাধাৰণে একত্ৰিত হৈ শাসকৰ বিৰুদ্ধে যুঁজি ক্ষমতা দখল কৰে। অৰ্থাৎ একচেটিয়া সিদ্ধান্ত গ্ৰহণৰ শক্তিতকৈ সংগঠিত সমাজৰ শক্তি কেতিয়াবা অধিক শক্তিশালী হয়। এই পৰিস্থিতিৰ পৰা হাত সাৰিবলৈ শাসন ব্যৱস্থাই বিভিন্ন হ্ৰস্বম্যাদী অৰ্থনৈতিক সংস্কাৰৰ প্ৰতিশ্ৰুতি দিয়ে, যাৰ ফলত দীৰ্ঘম্যাদী পৰিৱৰ্তন নহয়। অৰ্থাৎ, তেনেহ'লে বৈষম্য উলটিবলৈ এটাই বিকল্প উপায় আছে- যদিহে শাসকে নিজেই ক্ষমতা জনসাধাৰণৰ হাতত অৰ্পণ কৰে, অৰ্থাৎ ক্ষমতা হস্তান্তৰ আৰু গণতন্ত্ৰ প্ৰতিষ্ঠা। লক্ষণীয় যে, অৰ্থনীতিৰ নোবেল বিজয়ী ডেৰন আচেমোগ্লু আৰু চাইমন জনছনে মেছাচুচেটছ ইনষ্টিটিউট অৱ টেকন'লজি (এম আই টি)ত গৱেষণা কৰিছিল। আনহাতে এ ৰবিনছন হৈছে চিকাগো বিশ্ববিদ্যালয়ৰ গৱেষক। উল্লেখ্য যে, ২০২৩ বৰ্ষৰ অৰ্থনীতিৰ নোবেল বঁটা লাভ কৰিছিল হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষক ক্লাউডিয়া গোল্ডিনে। নোবেল পদকৰ উপৰিও নোবেল বঁটা বিজয়ীসকলে লাভ কৰিব প্ৰমাণ পত্ৰ আৰু মুঠ ১১ বিলিয়ন ছুইডিছ ক্ৰ'ন, অৰ্থাৎ ভাৰতীয় মূল্যত প্ৰায় ৮৯ লাখ টকা। ছুইডেনত এই বঁটা প্ৰদান কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিদেশ নীতি! কানাডাও হৈ পৰিল শত্ৰু

কূটনীতিবিদক তৎক্ষণাত ভাৰত এৰি যাবলৈ নিৰ্দেশ দিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এক বিবৃতিত কয় যে অহা শনিবাৰৰ ভিতৰত কানাডাৰ ছয়জন কূটনীতিবিদে ভাৰত এৰিব লাগিব। খবৰ অনুসৰি নতুন দিল্লীৰ এই কঠোৰ পদক্ষেপৰ পিছত জাষ্টিন ট্ৰুডো চৰকাৰে ৬ জন ভাৰতীয় কূটনীতিবিদক কানাডা এৰিবলৈ নিৰ্দেশ দিছে। ভাৰতৰ ৰাষ্ট্ৰদূত আৰু অন্যান্য কূটনীতিবিদৰ বিৰুদ্ধে হত্যাৰ গোচৰত গোপন বুজাবুজিৰ প্ৰমাণ চাঞ্চল্যকৰভাৱে দাবী কৰিছে কানাডা আৰক্ষীয়ে। ইয়াৰ পিছতে সোমবাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে খৰখেদাকৈ কানাডাৰ ৰাষ্ট্ৰদূতক মাতি আনি কানাডাৰ ৰাষ্ট্ৰদূতকে ধৰি ছয়জন কূটনীতিবিদক ১৯ অক্টোবৰ শনিবাৰৰ ভিতৰত দেশ এৰি যাবলৈ এখন পত্ৰ দিয়া হৈছিল আৰু কানাডা চৰকাৰৰ এই কাৰ্যত নতুন দিল্লী অত্যন্ত ক্ষুব্ধ বুলি বাৰ্তা দিয়া হৈছিল। নতুন দিল্লীয়ে অনুভৱ কৰিছে যে ভাৰতীয় কূটনীতিবিদসকল কানাডা চৰকাৰৰ বৰ্তমানৰ মনোভাৱক লৈ সন্তুষ্ট নহয়। সেইবাবেই তেওঁলোকক দেশলৈ ঘূৰাই অনা হৈছে। সূত্ৰ অনুসৰি বিদেশ মন্ত্ৰালয়ে সোমবাৰে কানাডাৰ কূটনীতিবিদসকলক স্পষ্ট কৰি দিয়ে যে ভাৰতে ইয়াৰ পিছত প্ৰয়োজন হ'লে আৰু কঠোৰ কূটনৈতিক পদক্ষেপ ল'ব পাৰে। কানাডাৰ প্ৰতিনিধিসকলক বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়েও জনাইছে যে কানাডা চৰকাৰে ভাৰতৰ বিচ্ছিন্নতা বিৰোধীক সমৰ্থন কৰি নতুন দিল্লীৰ ওপৰত অযথা হেঁচা প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছে। কানাডা আৰু ভাৰতৰ মাজত যি তিক্ততা গঢ় লৈ উঠিছিল, সেয়া সোমবাৰৰ পিছত আৰু অধিক বাঢ়ি গ'ল। কানাডাত থকা ভাৰতীয় ৰাষ্ট্ৰদূত সঞ্জয় কুমাৰ বাৰ্মাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে ৰয়েল কানাডিয়ান মাউণ্টেড পুলিচে। কানাডাৰ আৰক্ষীয়ে ভাৰতীয় কূটনীতিবিদসকলে কানাডাৰ পৰা চোৰাংচোৱাগিৰি কৰা বুলিও অভিযোগ উত্থাপন কৰিছে। ইয়াৰ পিছত নতুন দিল্লীয়ে তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দাবী কৰে যে কানাডা চৰকাৰে এজন কূটনীতিবিদৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগ হাস্যকৰ। কেৱল সেয়াই নহয়, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা বিবৃতিটোত পোনপটীয়াকৈ কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডোৰ মন্ত্ৰীসভাত বিচ্ছিন্নতাবাদী কাৰ্যকলাপৰ সৈতে জড়িত লোক আছে বুলি অভিযোগ উত্থাপন কৰিছে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে। নতুন দিল্লীয়ে জাষ্টিন ট্ৰুডোৱে ২০২০ চনত ভাৰতৰ আভ্যন্তৰীণ ৰাজনীতিত নাক সোমাবলৈ চেষ্টা কৰা বুলিও অভিযোগ উত্থাপন কৰিছে ভাৰতীয় বৈদেশিক মন্ত্ৰণালয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হঠাৎ অসুস্থ উদ্ধৱ থাকৰে

তেওঁক ভৰ্তি কৰোৱা হৈছে মুম্বাইৰ ৰিলায়েন্স হাস্পতালত। বাতৰি অনুসৰি, হাস্পতালত এঞ্জিঅ'গ্ৰাফীৰ জৰিয়তে হৃদ পৰীক্ষা কৰা হ'ব উদ্ধৱ থাকৰেৰ। জানিব পৰা মতে, শনিবাৰৰ পৰাই শাৰীৰিক অসুস্থতাত ভুগি আছিল মহাৰাষ্ট্ৰৰ বিৰোধী শিৱিৰৰ অন্যতম নেতাগৰাকী। শনিবাৰে দশেৰা অনুষ্ঠানত অংশ লোৱাৰ সময়তো অসুস্থ অনুভৱ কৰিছিল থাকৰেয়ে। যাৰ বাবে সোমবাৰে তেওঁক হাস্পতালত ভৰ্তি কৰা হয়। উল্লেখ্য যে, বিগত প্ৰায় এটা দশকৰ পৰাই হৃদজনিত ৰোগত ভুগি আছে উদ্ধৱ থাকৰে। ২০১২ চনৰ জুলাই মাহত বুকুৰ বিষত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। সেই সময়ত উদ্ধৱ থাকৰেৰ হৃদযন্ত্ৰৰ মূল তিনিটা ধমনীত ৬০ শতাংশ ব্লক হৈছিল। যাৰ বাবে তেওঁৰ এঞ্জিঅ'প্লাষ্টি কৰা হয়। ধমনীত থকা ব্লক আঁতৰাবলৈ আঠটা ষ্টেন্ট লগোৱা হয়। সেই বছৰৰ নৱেম্বৰ মাহত তেওঁ দ্বিতীয়বাৰৰ বাবে লীলাৱতী হাস্পতালত এঞ্জিঅ'প্লাষ্টি কৰে। ইয়াৰ পিছত ২০১৬ চনত অবিভক্ত শিৱসেনাৰ তদানীন্তন সভাপতি উদ্ধৱৰ লীলাৱতী হাস্পতালত এঞ্জিঅ'গ্ৰাফী কৰা হয়। ইফালে শাৰীৰিক অসুস্থতাৰ মাজতে শনিবাৰে মুম্বাইৰ শিৱাজী পাৰ্কত অনুষ্ঠিত হোৱা দশেৰা অনুষ্ঠানত অংশগ্ৰহণ কৰে থাকৰেয়ে। জানিব পৰা মতে, অনুষ্ঠানত ভাষণ দি থকাৰ সময়তে বুকুৰ বিষ অনুভৱ কৰিছিল প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে। যাৰ বাবে তেওঁক হাৰ্ট চেক আপৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। প্ৰণিধানযোগ্য যে, চলিত বৰ্ষৰ শেষত মহাৰাষ্ট্ৰত অনুষ্ঠিত হ'ব বিধানসভা নিৰ্বাচন। নিৰ্বাচনক লৈ ইতিমধ্যে ব্যস্ত হৈ পৰিছে উদ্ধৱ থাকৰে আৰু সমগ্ৰ বিৰোধী শিৱিৰ। সূত্ৰ অনুসৰি, চলিত সপ্তাহতে ঘোষণা কৰা হ'ব ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ সময়সূচী। এনে পৰিপ্ৰেক্ষিতত নিৰ্বাচনৰ চৰম ব্যস্ততাৰ পূৰ্বে উদ্ধৱ থাকৰেৰ শাৰীৰিক অসুস্থতাই বিৰোধী শিৱিৰত উদ্বেগ বৃদ্ধি কৰাৰ আশংকা কৰা হৈছে। অৱশ্যে পৰিয়ালে এয়া ৰুটিন চেকআপ বুলি জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কৰ্কট ৰোগ হ'লে শুব লাগে

গো-মূত্ৰৰ 'অমূল্য তত্ব'ৰ বৰ্ণনা কৰি পুনৰ এই মন্তব্য কৰিছে আন এগৰাকী বিজেপি নেতাই। গোশালা উদ্বোধন কৰি দুৰাৰোগ্য কৰ্কট ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ নতুন ফৰ্মুলা আগবঢ়ায় উত্তৰ প্ৰদেশৰ যোগী চৰকাৰৰ মন্ত্ৰী সঞ্জয় সিং গংগৱাৰে। দেওবাৰে এখন গোশালাৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি মন্ত্ৰীজনে গৰুৰ পৰা পোৱা লাভৰ বিষয়ে লগতে কয় যে ৰক্তচাপৰ সমস্যাত ভুগি থকা লোকসকলৰ বাবেও গৰু ৰোগৰ প্ৰতিকাৰক। তেওঁলোকে দিনটোত দুবাৰকৈ গৰুৰ পিঠিত থপৰিয়ালে ১০ দিনৰ ভিতৰত ৰক্তচাপৰ সমস্যাৰ পৰা সুফল লাভ কৰিব বুলি দাবী কৰে সঞ্জয় সিং গংগৱাৰে। তেওঁৰ মতে, দিনটোত দুবাৰকৈ গৰুৰ পিঠিত থপৰিয়ালে ১০ দিনৰ ভিতৰত ৰক্তচাপৰ ঔষধৰ পৰিমাণ ২০ মিলিগ্ৰামৰ পৰা ১০ মিলিগ্ৰামলৈ হ্ৰাস পাব। তেওঁ লগতে কয় যে শুকান গোবৰ জ্বলালে ওলোৱা ধোঁৱাই মহ খেদিব পাৰে। গৰুৰ শৰীৰৰ পৰা উৎপাদিত সকলো বস্তুৱেই যে উপকাৰী সেই কথা বুজাবলৈ গৈ এই মন্তব্য কৰে যোগীৰাজ্যৰ মন্ত্ৰীগৰাকীয়ে। প্ৰসংগক্ৰমে উত্তৰ প্ৰদেশৰ পথাৰত গৰু ঘূৰি ফুৰাৰ অভিযোগ উত্থাপন কৰি আহিছে একাংশ কৃষকে। এৰাল নিদিয়া গৰুৱে কৃষকৰ পথাৰত প্ৰৱেশ কৰি শস্যৰ ক্ষতিসাধন কৰি অহাৰ অভিযোগ সন্দৰ্ভত উত্তৰ দিবলৈ গৈ মন্ত্ৰী সঞ্জয় সিং গংগৱাৰে কয় যে গৰুৰ প্ৰতি সন্মান নথকাৰ বাবেই এনে অভিযোগ উত্থাপন হয়। তেওঁ কয়, "আমি মাৰ ('গোমাতা') সেৱা নকৰাৰ বাবে মায়ে আমাৰ অন্য ক্ষেত্ৰত ক্ষতি কৰিছে।" মন কৰিবলগীয়া যে যোৱা মাহত মহাৰাষ্ট্ৰৰ বিজেপি-এনচিপি (অজিত)-শিৱসেনা (শিন্দে) মিত্ৰজোঁটৰ চৰকাৰে দেশী গৰুক ``ৰাজ্যমাতা" উপাধি প্ৰদান কৰিছে। উপ-মুখ্যমন্ত্ৰী তথা বিজেপি নেতা দেৱেন্দ্ৰ ফাড়নভিছে সংবাদ সংস্থা এএনআইক কয়, 'দেশী গৰু কৃষকৰ বাবে এক আশীৰ্বাদ। গতিকে আমি দেশী গৰুক ৰাজ্যমাতা বুলি স্বীকৃতি দিয়াৰ সিদ্ধান্ত লৈছো।" নেতাগৰাকীৰ এই মন্তব্যক লৈ আৰম্ভ হৈছে নতুন বিতৰ্ক।

# জলপাইগুৰিৰ কৰৰা নৈৰ পাৰৰ প্ৰতিমা বিসৰ্জনৰ দৃশ্য চাবলৈ ভিন্ন ৰাজ্যৰ পৰ্যটকৰ ভিৰ

**জলপাইগুৰিৰ পৰা অঞ্জনজ্যোতি শৰ্মা, ১৪ অক্টোবৰঃ** দুৰ্গা পূজা বুলিলে চুবুৰীয়া পশ্চিমবংগই এক সুকীয়া স্থান লাভ কৰে। উচ্চ কাৰিকৰী কৌশল তথা আধুনিক ব্যতিক্ৰমী আকৰ্ষণীয় আলোকসজ্জাই প্ৰতিখন দুৰ্গা পূজা মণ্ডপক অধিক আকৰ্ষণীয় কৰি তুলিছে। সমান্তৰালভাৱে কালি বিজয়া দশমীৰ দিনটোত একপ্ৰকাৰ জনসমুদ্ৰলৈ পৰিণত হয় পশ্চিমবংগৰ জলপাইগুৰিস্থিত কৰৰা নদীৰ পাৰত থকা প্ৰতিমা বিসৰ্জনস্থলী। অঞ্চলটোৰ জনসাধাৰণৰ লগতে অসম-বিহাৰৰ উপৰিও বিভিন্ন ৰাজ্যৰ পৰ্যটকে বিসৰ্জনৰ দৃশ্য উপভোগ কৰিবলৈ ভিৰ কৰে নদীৰ ঘাটটোত। সমান্তৰালভাৱে প্ৰশাসনেও কঠোৰ নিৰাপত্তাৰ মাজেৰে অনুষ্ঠানটো সুন্দৰভাৱে পৰিচালনা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। প্ৰতিমা বিসৰ্জনৰ সময়ত নদীখনত যাতে কোনো অঘটন সংঘটিত নহয় তাৰ বাবে নদীখনত সম্ভম কৰি ৰাখে নদী আৰক্ষী বাহিনীৰ লগতে বহু প্ৰশিক্ষণপ্ৰাপ্ত স্বেচ্ছাসেৱকক। বিসৰ্জনৰ বাবে অহা পূজা সমিতিৰ লোকক নদীখনৰ পাৰত বান্ধি দিয়া বেৰিকেডৰ ভিতৰত প্ৰৱেশত বাধা প্ৰদান কৰি প্ৰতিমাসমূহ নিৰ্দ্ধাৰিত স্থানৰ পৰা ক্ৰেণ্ডেৰে তুলি নি স্বেচ্ছাসেৱকসকলৰ জৰিয়তে বিসৰ্জনৰ ব্যৱস্থা কৰে। বিয়লি ভাগৰ পৰা




অনুষ্ঠিত এই প্ৰতিমা বিসৰ্জনস্থলী আটকধুনীয়াকৈ আলোকসজ্জাৰেও সজাই পৰাই তোলা হয়। বিসৰ্জনস্থলীত পূজাসমিতিৰ ভিৰ সদস্যসমূহৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দুদিনীয়াকৈ বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। ফলত দুদিনত ভাগ কৰি পূজা সমিতিসমূহক বিসৰ্জনৰ বাবে পৃথকে পৃথকে অনুমতি প্ৰদান কৰে স্থানীয় প্ৰশাসনে। ইফালে সন্ধিয়া ঠিক ৮-৩০ বজাৰ লগে লগে নৈখনৰ পাৰত অনুষ্ঠিত হয় ৰাৱণ দাহ কাৰ্যসূচী। প্ৰায় ৫০ ফুট উচ্চতাৰ ৰাৱণৰ প্ৰতিমূৰ্তিত অগ্নিসংযোগৰ লগে লগে উপস্থিত ৰাইজে সমগ্ৰ হৰ্ষোল্লাস কৰা দেখা যায়। ইয়াৰ পাছতেই পুনৰ আৰম্ভ হয় প্ৰতিমা বিসৰ্জন কাৰ্যসূচী। এনেদৰে আজিও নদীখনৰ পাৰত প্ৰতিমা বিসৰ্জনৰ কাৰ্যসূচী অনুষ্ঠিত হয়। একপ্ৰকাৰ ক'বলৈ গ'লে দুৰ্গাপূজা উপলক্ষে পশ্চিমবংগৰ বিভিন্ন স্থানত এক অনন্য পৰিৱেশে বিৰাজ কৰা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ফণী শৰ্মাৰ প্ৰশংসাত পঞ্চমুখ হাৰিয়ানাৰ

ফণীন্দ্ৰ নাথ শৰ্মাই হাৰিয়ানাৰ মুখ্যমন্ত্ৰীক কামাখ্যা মন্দিৰলৈ নিয়াৰ লগতে বশিষ্ঠস্থিত বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়লৈকো নিয়ে। কেৱল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যে হাৰিয়ানাৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ নকৰিলে তেনে নহয়। হিমন্ত বিশ্ব শৰ্মাৰ পন্থী নেতা মন্ত্ৰী পীযুষ হাজৰিকা, জয়ন্তমল্ল বৰুৱাকো ছৈনীৰ সৈতে দেখা নগ'ল। চৰ্চা মতে, হাৰিয়ানা এৰি আহি অসমত থিতাপি ল'ব আৰএছএছ নেতা তথা বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা। ২০২৩ চনৰ জুলাই মাহত হাৰিয়ানাৰ সাংগঠনিক সম্পাদকৰ দায়িত্ব লৈ অসম এৰা শৰ্মাই হাৰিয়ানাত চমৎকাৰ কৰি দেখুৱালে। দলত প্ৰভাৱ বৃদ্ধি পোৱাত ফণীন্দ্ৰ নাথ শৰ্মাই অসমলৈ উভতি অহাৰ ফলত সৰ্বানন্দপন্থীৰ শক্তি বৃদ্ধিৰ চৰ্চাৰ মাজতে যোৱা দুটা দিনত হিমন্তপন্থী নেতাক হাৰিয়ানাৰ মুখ্যমন্ত্ৰীৰ সৈতে দেখা নোপোৱা বিষয়টোৱে বিশেষ চৰ্চা লাভ কৰিছে। ১৩ অক্টোবৰৰ সন্ধিয়া গুৱাহাটীত উপস্থিত হোৱা মুখ্যমন্ত্ৰী নয়াব সিং ছৈনীক লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত আদৰণি জনাই অসমৰ চৰকাৰৰ মন্ত্ৰী অশোক সিংহলে। নিশা ৰাজ্য চৰকাৰৰ অতিথিশালাত কটোৱা ছৈনীয়ে পুৱাই বিজেপিৰ নেতা তথা হাৰায়না বিজেপিৰ তত্বাৱধায়ক ফণীন্দ্ৰ শৰ্মাৰ সৈতে শক্তিপীঠ মা কামাখ্যা মন্দিৰ দৰ্শন কৰি সেৱা লয়। মা কামাখ্যাৰ আশীৰ্বাদ লৈ পোনে পোনে বশিষ্ঠস্থিত বিজেপিৰ মুখ্য কাৰ্যালয়ত উপস্থিত হয়। বিজেপিৰ কাৰ্যালয়ত আড়ম্বৰপূৰ্ণ পৰিৱেশত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক বি.এল সন্তোষ, জি আৰ ৰবীন্দ্ৰ ৰাজু, ফণীন্দ্ৰ নাথ শৰ্মা, মন্ত্ৰী অশোক সিংহল, গুৱাহাটীৰ মেয়ৰ মৃগেন শৰণীয়াৰ উপস্থিতিত ছৈনীক ফুলাম গামোচা, শৰাই আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে অসম প্ৰদেশ বিজেপিয়ে। হাৰিয়ানাৰ নিৰ্বাচনত বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভৰ পাছতে প্ৰথমে অসম ভ্ৰমণ কৰা মুখ্যমন্ত্ৰী নয়াব সিং ছৈনীয়ে বিজেপিৰ মুখ্য কাৰ্যালয়ত নেতা-কৰ্মীৰ মত-বিনিময় কৰে। গুৱাহাটীত এটা নিশা আৰু দিন কটোৱা ছৈনীয়ে অসমৰ আৰএছএছৰ প্ৰবীণ নেতা তথা হাৰিয়ানা বিজেপিৰ সাংগঠনিক সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মাক ভূয়সী প্ৰশংসা কৰে। হাৰিয়ানাত বিজেপিয়ে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰাত ফণীন্দ্ৰ নাথ শৰ্মাৰ অৰিহণাৰ কথা প্ৰকাশ কৰি কয় যে নিৰ্বাচনৰ পূৰ্বে হাৰিয়ানাৰ সাংগঠনিক সম্পাদকৰ গুৰু দায়িত্ব লাভ কৰা ফণীন্দ্ৰ নাথ শৰ্মা তপস্যা কৰা লোক। তেওঁ হাৰিয়ানাৰ বাবে বহু কষ্ট কৰিছে। হাৰিয়ানাত বিজেপিৰ বিজয়ৰ বাবে দিনে-নিশাই কৰা পৰিশ্ৰম কৰাত শৰ্মাক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে ছৈনীয়ে। ইপিনে আবেগিক হৈ ছৈনীয়ে কয় যে অসম বিজেপিৰ কাৰ্যকৰ্তাই দিয়া আদৰ, স্নেহ পাহৰিব নোৱাৰিম। হাৰিয়ানাৰ বিজয়ক প্ৰধানমন্ত্ৰী মোদীৰ কৰ্মৰ ফল আখ্যা দিয়ে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দৰিদ্ৰ, কৃষক, মহিলা, যুৱৰ বাবে বিজেপিয়ে ৰূপায়ন কৰা আঁচনি কাৰ্যকৰীকৰণ কৰাত হাৰিয়ানাত তৃতীয়বাৰ জয়লাভ কৰিবলৈ সক্ষম হ'লো বুলি কয় ছৈনীয়ে। কংগ্ৰেছক সমালোচনা কৰি কয় যে কংগ্ৰেছে সদায় মিছাৰ আশ্ৰয় লৈ চলে। কংগ্ৰেছে হিমাচল, কৰ্ণাটক, তেলেংগনাত মিছা কথাৰে জয়লাভ কৰিছে। ৰাজস্থান, মধ্যপ্ৰদেশ. হাৰিয়ানানত কংগ্ৰেছৰ মিথ্যাচাৰ নচলিল। হাৰিয়ানাৰ মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসা কৰি কয় যে হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ ভেটি শক্তিশালী কৰিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অসমত বিজেপিয়ে পুনৰ চৰকাৰ গঠন কৰিব। নিৰ্বাচনৰ পূৰ্বে আৰু নিৰ্বাচনৰ অন্তত মা কামাখ্যাৰ আশীৰ্বাদ ল'বলৈ আহিছো বুলি কয়। হাৰিয়ানাবাসীৰ ভৱিষ্যৎ উজ্বল আৰু সুস্বাস্থ্যৰ কামনা কৰি প্ৰাৰ্থনা কৰাৰ লগতে হাৰিয়ানাবাসীয়ে গৰিষ্ঠতা প্ৰদান কৰি পুনৰ চৰকাৰ গঠনৰ বাবে জনমত দিয়াত হাৰিয়ানাবাসীক ধন্যবাদ জ্ঞাপন কৰে। ১৭ অক্টোবৰত নয়াব সিং ছৈনীয়ে দ্বিতীয়বাৰ হাৰিয়ানাৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব। ৮ অক্টোবৰত হাৰিয়ানাৰ নিৰ্বাচনৰ ফলাফল প্ৰকাশ পায়। পূৰ্বে সকলো পক্ষই হাৰিয়ানাত কংগ্ৰেছে ৯০ খন আসনৰ ভিতৰত ৬২ খন পৰ্যন্ত আসন পাব বুলি অনুমান কৰিছিল যদিও ফলাফল ঘোষণাৰ দিনটোত দৃশ্যপট সলনি হয়। বিজেপিয়ে একক সংখ্যাগৰিষ্ঠতা লাভ কৰে। ভাৰতীয় জনতা পাৰ্টীয়ে ৪৮ খন আসন, কংগ্ৰেছ ৩৭ খন আসন লাভ কৰিছে। ফলাফল ঘোষণাৰ পাছতে বিজেপিত নয়াব সিং ছৈনীৰ প্ৰভাৱ বৃদ্ধি পায়। উল্লেখ্য যে, প্ৰায় দুটা দিন অসমত কটোৱা নয়াব সিং ছৈনীয়ে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ পালে নে নাই সেই কথা জানিব পৰা হোৱা নাই। কিয়নো মুখ্যমন্ত্ৰীৰ লগতে অসম বিজেপিৰ অফিচিয়েল সামাজিক মাধ্যমৰ একাউণ্টতো তেনে কোনো পোষ্ট দিয়া পৰিলক্ষিত হোৱা নাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মেইটেই, কুকিৰে আলোচনাৰ প্ৰস্তুতি

মণিপুৰক! বিগত বৰ্ষৰ মে' মাহৰ পৰাই ৰাজ্যখনৰ দুই প্ৰধান সম্প্ৰদায় কুকি আৰু মেইটেই সকলৰ মাজৰ সংঘাতে ইতিমধ্যে প্ৰাণ কাঢ়িছে শ শ জনৰ। মণিপুৰৰ এনে ৰক্তাক্ত পৰিস্থিতিৰ পিছতো সংঘাত প্ৰতিৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰে কোনো ধৰণৰ পদক্ষেপ নোলোৱাৰ অভিযোগ উত্থাপন হৈ আহিছে। একে সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও বিগত ডেৰ বছৰত এবাৰো ভ্ৰমণ কৰা নাই অশান্ত মণিপুৰ। এনে পৰিপ্ৰেক্ষিতত উত্তৰ-পূবৰ ৰাজ্যখনৰ গোষ্ঠীগত সংঘাত নিৰাময়ক লৈ বিজেপি চৰকাৰৰ চৰম অৱহেলাৰ অভিযোগৰ মাজতে প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ উদ্যোগত শান্তি আলোচনাত বহিবলৈ সাজু হৈছে ৰাজ্যখনৰ মেইটেই, কুকি আৰু নগা বিধায়কসকলে। জানিব পৰা মতে, মঙলবাৰে নতুন দিল্লীত অনুষ্ঠিত হ'ব এই যৌথ বৈঠকখনি। সংবাদ সংস্থাৰ সূত্ৰ অনুসৰি এই বৈঠকত তিনি নগা বিধায়ক ক্ৰমে আৱাংবাউ নিউমাই, এল দিখো আৰু ৰাম মুইভাই অংশগ্ৰহণ কৰিব। মন কৰিবলগীয়া যে, মণিপুৰত এন ডি এ মিত্ৰজোঁটৰ অংশ নগা পিপলছ ফ্ৰন্টৰ এই আটাইকেইজন বিধায়ক। অৱশ্যে এই বৈঠকত কিমানগৰাকী মেইটেই আৰু কুকি বিধায়কে অংশগ্ৰহণ কৰিব সেয়া এতিয়াও স্পষ্ট হোৱা নাই। সংবাদ সংস্থা পিটিআইৰ আগত এগৰাকী বিষয়াই কয় যে মণিপুৰত হিংসা ৰোধৰ স্থায়ী সমাধান বিচাৰি এই শান্তি আলোচনাৰ আয়োজন কৰা হৈছে। প্ৰসংগক্ৰমে ২০২৩ চনৰ মে' মাহৰ পৰাই অস্থিৰ হৈ পৰিছে মণিপুৰ। এতিয়ালৈকে তাত ২০০ৰো অধিক লোকৰ মৃত্যু হৈছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে মণিপুৰত আৰু ছমাহৰ বাবে বৃদ্ধি কৰা হৈছে সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন। যোৱা মাহত মণিপুৰৰ মেইটেই আৰু কুকি জনগোষ্ঠীৰ মাজত কাংপকপি আৰু পশ্চিম ইম্ফলৰ দুটা স্থানত ড্ৰ'ন আক্ৰমণৰ বাবে পুনৰ সংঘৰ্ষৰ সৃষ্টি হয়। ইয়াৰ পিছত ৬ ছেপ্টেম্বৰত বিষ্ণুপুৰ জিলাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মেৰেম্বাম কইৰেঙৰ ঘৰত ৰকেট আক্ৰমণ সংঘটিত হয়। তেতিয়াৰ পৰাই মণিপুৰৰ এক বিশাল অঞ্চলত সঘনাই আক্ৰমণ সংঘটিত হৈ আহিছে। ইফালে, তালাচী অভিযানৰ সময়ত জব্দ কৰা হৈছে বহু গুলী আৰু আগ্নেয়াস্ত্ৰ। শেহতীয়াকৈ আৰক্ষী আৰু সেনাৰ যৌথ অভিযানত পূব ইম্ফল জিলাত উদ্ধাৰ হৈছে ২৮.৫ কেজি বিস্ফোৰক। অন্যহাতে মণিপুৰ চৰকাৰৰ নিৰাপত্তা উপদেষ্টা কুলদীপ সিঙে দাবী কৰিছে যে জংঘল যুদ্ধ আৰু ড্ৰ'ন আক্ৰমণৰ প্ৰশিক্ষণপ্ৰাপ্ত ৯০০ কুকি উগ্ৰপন্থীয়ে ম্যানমাৰৰ পৰা মণিপুৰত প্ৰৱেশ কৰিছে। তেওঁ দাবী কৰে যে এই তথ্য চোৰাংচোৱাৰ সূত্ৰৰ পৰা লাভ কৰা হৈছে। মণিপুৰৰ এই উত্তপ্ত পৰিস্থিতিৰ সৈতে ৰাজনৈতিক হেঁচাও অব্যাহত আছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লুৰীণ, অখিলক অনুপ চেতিয়াৰ পৰামৰ্শ

পৰিষদৰ নেতৃত্বই দলটোক নতুন ৰূপত ৰাইজৰ মাজলৈ নিবৰ বাবে সাজু হৈছে। সেয়েহে অগপই পুনৰ পূৰ্বৰ ইতিহাস বিচাৰি নতুন পথ লৈছে। হিন্দুত্ববাদৰ ৰাজনীতি অসমত প্ৰৱেশ কৰিছে যদিও নিজৰ আদৰ্শ ত্যাগ নকৰাৰ শপত লৈ পুনৰ নতুন যাত্ৰা কৰাৰ সংকল্প ল'লে অগপৰ নেতৃত্বই। আজি ডিব্ৰুগড় জিলাৰ চাবুৱাৰ জেৰাইত পূৰ্বৰ ঐতিহ্যত দেখা গ'ল অগপ দলটোক। আকৌ সেই ১৯৮৫ চনৰ কথা আওৱালে প্ৰতিগৰাকী নেতাই। অসম আন্দোলন, ৮৫৫গৰাকী শ্বহীদৰ কথা আওৰাই দলটোৰ ন-পুৰণি নেতাক অগপৰ পতাকাৰ তলত থিয় হ'বলৈ আহ্বান জনালে কেন্দ্ৰীয় নেতৃত্বই। লোকসভা নিৰ্বাচনৰ পাছত আৰু বিধানসভা নিৰ্বাচনৰ পূৰ্বে আজি উজনি অসমত আজি অসম গণ পৰিষদ দলে শক্তি প্ৰদৰ্শন কৰে। দীৰ্ঘদিনীয়া প্ৰস্তুতিৰ অন্তত এদিনীয়া কাৰ্যসূচীৰে আজি পুৱাৰে পৰা ডিব্ৰুগড় জিলাৰ জেৰাইত অসম গণ পৰিষদৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আৰম্ভ হয়। ৪০ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উপলক্ষে চাবুৱাৰ জেৰাই ৰজাচুক খেলপথাৰত ৪০ খনকৈ পতাকা উত্তোলন কৰা হয়। দলটোৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টি সমিতি, ডিব্ৰুগড় জিলা সমিতি আৰু তিনিচুকীয়া জিলা সমিতি, জেৰাই আঞ্চলিক সমিতিৰ আতিথ্যত অনুষ্ঠিত হয় প্ৰতিষ্ঠা দিৱসত পুৱা মূল পতাকা উত্তোলন কৰে অগপৰ সভাপতি অতুল বৰাই। আন ৩৯ খন পতাকা উত্তোলন কৰে কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, দলৰ জ্যেষ্ঠ নেতা সাংসদ ফণীভূষণ চৌধুৰী, সাংসদ বীৰেণ বৈশ্য, কুমাৰ দীপক দাস, বিধায়ক পোণাকণ বৰুৱা, ভৰেন ভড়ালী আদিয়ে। শ্বহীদ তৰ্পণ কৰে কাৰ্যকৰী সভাপতি কেশৱ মহন্তই। মঞ্চৰ কাষত নিৰ্মাণ কৰা অস্থায়ী নামঘৰত সেৱা লয় অগপ নেতৃত্বই। সতীৰ্থ সোঁৱৰণ অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰতিষ্ঠাৰ দিনৰে দলটোৰ এগৰাকী অক্লান্ত কৰ্মী সাংসদ ফণীভূষণ চৌধুৰীয়ে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে সতীৰ্থ সোঁৱৰণ অনুষ্ঠান। বিয়লি সভাপতি অতুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাংসদ ফণীভূষণ চৌধুৰী, সাংসদ বীৰেণ বৈশ্য, কুমাৰ দীপক দাস উপস্থিত থাকে। কিন্তু সকলোকে আঁচৰিত কৰি অসম গণ পৰিষদৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত উপস্থিত হয় আলফাৰ প্ৰাক্তন সাধাৰণ সম্পাদক অনুপ চেতিয়া। অনুপ চেতিয়াই অগপক শক্তিশালী জাতীয়তাবাদী আঞ্চলিকতাবাদী দল আখ্যা দি অগপত যোগদানৰ সৰৱ চৰ্চাক নস্যাৎ কৰে। বৰ্তমান পৰিস্থিতিত তেওঁৰ পক্ষে কোনো ৰাজনৈতিক দলত যোগদান কৰাটো সম্ভৱ নহয় বুলি উল্লেখ কৰি তুনকৈ গঠন হোৱা অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলক অগপৰ সৈতে একত্ৰিত হৈ কাম কৰি যোৱাৰ আহ্বান জনায়। অগপৰ সভাপতি অতুল বৰাই আজিৰ কাৰ্যসূচীৰ পৰিৱেশ প্ৰত্যক্ষ কৰি আবেগিত হৈ কয় যে এয়া এক সুকীয়া পৰিৱেশ। ক'বলৈ ভাষা নাই। ৩৯ বছৰে দলটোক অৰিহণা যোগোৱা লোকসকলক শ্ৰদ্ধা জ্ঞাপন কৰিছো। বৰাই আহি থকা দিনবোৰত পূৰ্বৰ দৰেই অসমৰ ৰাইজৰ সহায়-সহযোগ কামনা কৰিছে। অতুল বৰাই কয় যে অসমত অগপক শক্তিশালী কৰাৰ মানে আঞ্চলিকতাবাদক সুৰক্ষিত কৰা, অসমক সুৰক্ষিত কৰা। সেয়েহে ভৱিষ্যতৰ দিনৰ বাবে অসমবাসীৰ পৰা আশীষ বিচাৰিছো। অসম আন্দোলন, আলফাৰ বিদ্ৰোহৰ অন্যতম দুৰ্গ জেৰাইৰ কথা উল্লেখ কৰি অতুল বৰাই কয় যে জেৰাই গাঁও আঞ্চলিকতাবাদৰ দুৰ্গ। অসম আন্দোলনে অসমত এটা জনজাগৰণ সৃষ্টি কৰিছিল। জাতীয় সমস্যাসমূহ দাঙি ধৰিছিল। জাতি-জনগোষ্ঠীসমূহেও নিজৰ অধিকাৰৰ কথা উত্থাপন কৰিছিল। স্বাধীনতাৰ পাছতে কংগ্ৰেছে অসমখন শাসন কৰিছিল। কিন্তু কংগ্ৰেছে ৰাজ্যবাসীক উপেক্ষা কৰাৰ কাৰণে সুকীয়া পৰিৱেশে দেখা দিছিল। যাৰ ফলত আন্দোলন হ'ল। সেই আন্দোলন জেৰায়ে মুখ্য ভূমিকা লৈছিল। যাৰ বাবে পুনৰ জেৰাইৰ পৰা দলক শক্তিশালী কৰিবলৈ প্ৰতিষ্ঠা দিৱস পালন কৰাৰ কথা দোহাৰে বৰাই। আনহাতে, আলফা নেতা অনুপ চেতিয়াই অগপৰ কাৰ্যসূচীত অনুষ্ঠিত হোৱাত অগপত যোগদান কৰিব নেকি বুলি প্ৰশ্ন কৰাত তেওঁ এটা বেলেগ পন্থাৰে সংগ্ৰাম কৰে আৰু তেওঁ নিজেই সিদ্ধান্ত ল'ব লাগিব যে শান্তি, উন্নয়ন বিচাৰে নে আন কিবা বিচাৰে বুলি কয় বৰাই। ১৯৮৫ চনৰ আজিৰ দিনটোতে অসম আন্দোলনৰ ফলশ্ৰুতিত প্ৰতিষ্ঠা হৈছিল অসম গণ পৰিষদ। দুবাৰকৈ চৰকাৰ গঠন কৰা দলটোৱে ২০১৬ চনৰ পৰা শাসকীয় বিজেপিৰ অংশীদাৰ দল হিচাপে আছে। বহু উত্থান পতনৰ সাক্ষী দলটোৱে পুনৰ আঞ্চলিকতাবাদী দলৰ আদৰ্শক সাৰোগত কৰিনতুন ৰূপত আত্মপ্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে। প্ৰতিষ্ঠা দিৱসৰ দিনটোতে অগপই অনলাইন আৰু অফলাইন দলীয় সদস্য ভৰ্তি অভিযান আৰম্ভ কৰে। এই সদস্য ভৰ্তি অভিযানে দলটোক ২৬ৰ পূৰ্বে শক্তিশালী কৰিব বুলি আশা কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ব্ৰইলাৰ'ৰ মৃতদেহ উদ্ধাৰ, মৰিগাঁৱত

মৃতদেহ আজি পুৱাৰ ভাগত মৰিগাঁও জিলাৰ লাহৰীঘাটৰ দেৰাগুৰি বিলত উদ্ধাৰ হোৱা ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। কালি আৰক্ষীয়ে নিজৰা বিলত অভিযান চলাই এখন নাৱত পলাতক ৰশিদে ব্যৱহাৰ কৰা কম্বল আদি সামগ্ৰী উদ্ধাৰ কৰিছিল। আজি পুৱাৰ ভাগত এজন মাছমৰীয়াই এটা মৃতদেহ পানীত উপঙি থকা প্ৰত্যক্ষ কৰি লাহৰীঘাট আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত ততাতৈয়াকৈ আৰক্ষী আৰু এছডিআৰএফ বাহিনী উপস্থিত হৈ বিলৰ পৰা মৃতদেহটো উদ্ধাৰ কৰে। পিছত উদ্ধাৰ কৰা মৃতদেহটো মৰিগাঁও কাৰাগাৰৰ পৰা পলায়ন কৰা কয়দী লাহৰীঘাটৰ দেৰাগুৰি গাঁৱৰ আব্দুল ৰছিদ ওৰফে ব্ৰইলাৰ বুলি আৰক্ষী তথা স্থানীয় ৰাইজৰ লগতে পৰিয়ালৰ লোকে চিনাক্ত কৰে। পলাতক কয়দী আব্দুল ৰছিদ ওৰফে ব্ৰইলাৰৰ মৃতদেহটো পানীৰ পৰা উদ্ধাৰ কৰি আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। পলাতক কয়দী আব্দুল ৰছিদৰ মৃত্যুৰ প্ৰকৃত কাৰণ আৰক্ষীয়ে অদ্যপি উলিয়াব পৰা নাই যদিও বিলখন পাৰ হৈ অন্য নিৰাপদ স্থানলৈ পলায়নৰ চেষ্টা চলাওঁতে বা পুনৰ কৰায়ত্ত হোৱাৰ আশংকাত পানীত জঁপিয়াই আত্মহত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় একাংশ লোকে। স্মৰ্তব্য যে লাহৰীঘাটৰ দেৰগুৰি গাঁৱৰ আব্দুৰ ৰছিদক যোৱা ২৮ মে'ত লাহৰীঘাট আৰক্ষীয়ে লাহৰীঘাট থানাত ৰুজু কৰা ১০৫/২০২৪ নম্বৰৰ এটা পক'চ গোচৰত গ্ৰেপ্তাৰ কৰি পক'চ আদালতৰ জৰিয়তে জেল হাজোতলৈ প্ৰেৰণ কৰিছিল। উল্লেখ্য যে কাৰাগাৰত ব্যৱহাৰ কৰিবলৈ দিয়া কম্বল, বিচনা চাদৰ আৰু লুঙীৰে ৰছী তৈয়াৰ কৰি বৃহস্পতিবাৰে মাজ নিশা পাঁচটাকৈ কুখ্যাত অপৰাধীয়ে কাৰাগাৰৰ সু-উচ্চ দেৱাল পাৰ হৈ মৰিগাঁও জিলা কাৰাগাৰৰ পৰা অনায়াসে পলায়ন কৰিছিল। পক'চ গোচৰত অভিযুক্ত কাৰাগাৰৰ এই দুৰ্ধৰ্ষ আচামী কেইটাৰ অন্য চাৰিটা আচামী ক্ৰমেছাইফুদ্দিন আহমেদ, জিয়াৰুল হক, নুৰ ইছলাম আৰু মাফিদুল ইছলামৰ সন্ধানত আৰক্ষীয়ে দিন ৰাতি একাকাৰ কৰি জোৰদাৰ অভিযান অব্যাহত ৰাখিছে। এই ঘটনাক লৈ মৰিগাঁৱৰ লগতে সমগ্ৰ ৰাজ্যতে চাঞ্চল্যৰ সৃষ্টি হৈছে।

# ৰঙিয়াত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ মহিলা

**ই-সংবাদ, ৰঙিয়া, ১৪ অক্টোবৰঃ** ৰঙিয়া ষ্টেচনত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। শিলচৰৰ পৰা ৰঙিয়া অভিমুখী ৰে'লযোগে ড্ৰাগছ সৰবৰাহ কৰাৰ সময়তে ৰঙিয়া আৰক্ষীয়ে গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত চলোৱা অভিযানত মহিলাগৰাকীক ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। কামৰূপ জিলা অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত চলা অভিযানত আৰক্ষীৰ দলটোৱে মুঠ ৪টা চাবোনৰ বাকচত ৪৭ গ্ৰাম ড্ৰাগছ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আনহাতে সৰবৰাহ কাণ্ডত জড়িত মহিলাগৰাকীৰ সহযোগী আন এজন যুৱক পলাই যাবলৈ সক্ষম হয়। পলাতক যুৱকজনৰ সন্ধান অব্যাহত ৰাখিছে ৰঙিয়া আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিৰে পৰা মুম্বাইত টোলগেট

বন্ধ কৰি দিয়া সদৃশ সিদ্ধান্ত গ্ৰহণ কৰিছে চৰকাৰে। চলিত বৰ্ষৰ শেষৰ ফালে অনুষ্ঠিত হ'বলগীয়া মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে এই সপ্তাহত নিৰ্বাচন আয়োগে ঘোষণা কৰিব সময়সূচী। ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনক লৈ অধিসূচনা জাৰি হোৱাৰ পূৰ্বে অতি কৌশলপূৰ্ণভাৱে মুম্বাইৰ আটাইকেইটা টোল বুথত লঘু মটৰ গাড়ীৰ টোল সম্পূৰ্ণৰূপে ৰেহাই ঘোষণা কৰিছে একনাথ সিন্ধে নেতৃত্বাধীন এনডিএ চৰকাৰে। সোমবাৰে মহাৰাষ্ট্ৰ চৰকাৰে লঘু বাহনৰ বাবে মুম্বাইৰ পাঁচোটা টোল বুথৰ টোল ৰেহাই ঘোষণা কৰি এই নীতি সোমবাৰৰ মাজনিশাৰ পৰা প্ৰযোজ্য হ'ব বুলি প্ৰকাশ কৰে। উল্লেখ্য যে, মুম্বাইৰ দহিছাৰ, এল বি এছ ৰোড-মুলুণ্ড, ইষ্টাৰ্ণ এক্সপ্ৰেছ হাইৱে- মুলুণ্ড, আইৰ'লি ক্ৰিক ব্ৰীজ আৰু বাছিত থকা টোল বুথ কেইটাত প্ৰতিখন লঘু বাহনৰ পৰা ৪৫ টকা আৰু ৭৫ টকা আদায় কৰা হৈছিল। লক্ষণীয় যে, লঘু মটৰ গাড়ী হ'ল সেইবোৰ, যিবোৰ মূলতঃ যাত্ৰী বা সামগ্ৰী কঢ়িওৱাৰ বাবে ব্যৱহাৰ কৰা হয়। এই শ্ৰেণীৰ বাহনসমূহৰ ভিতৰত আছে গাড়ী (হেচবেক, চেডান আৰু এছ ইউ ভি), জীপ, ভ্যান, অটো-ৰিক্সা, টেক্সি, ডেলিভাৰী ভ্যান আৰু মিনি ট্ৰাক। মুম্বাইৰ মাজেৰে পাৰ হোৱা দৈনিক ৬ লক্ষাধিক বাহনৰ ভিতৰত ৮০ শতাংশই হৈছে লঘু মটৰ গাড়ী। দীপাৱলীৰ প্ৰাকক্ষণত টোল ৰেহাই মুম্বাইবাসীৰ বাবে এক উপহাৰ বুলি অভিহিত কৰি মুখ্যমন্ত্ৰী একনাথ সিন্ধেই কয় যে টোল গেটত লঘু বাহনসমূহে বহু সময় অপেক্ষা কৰিবলগীয়া হয়। এনে পৰিপ্ৰেক্ষিতত চৰকাৰৰ এই সিদ্ধান্ত এক মাষ্টাৰ ষ্ট্ৰোক বুলি দাবী কৰি সিন্ধেই কয় যে টোল ৰেহাইৰ সিদ্ধান্তই যাত্ৰীৰ সময় আৰু ইন্ধন ৰাহি কৰাৰ উপৰিও প্ৰদূষণো হ্ৰাস কৰিব। সিন্ধেই কয়, "মুম্বাইৰ প্ৰৱেশ পইণ্টত টোল ৰেহাই দিয়াৰ দাবী বহুদিনৰ পৰা উত্থাপন হৈ আছিল। আনকি এই দাবীৰে আদালতৰো কাষ চাপিছিল বহুজন। আমি যেনেকৈ 'লাডলী বাহিন', 'লাডলা ভাই' আৰু 'লাডলা কৃষক' কাৰ্যকৰী কৰিছিলো, এতিয়া আমি 'লাদলে কমিউটাৰ' আঁচনি ৰূপায়ণ কৰিছো। এয়া এক মাষ্টাৰষ্ট্ৰ'ক সিদ্ধান্ত।" ইফালে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে এই টোল ৰেহাইৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি বিৰোধীয়ে কৰা সমালোচনা সন্দৰ্ভত মুখ্যমন্ত্ৰীজনে কয় যে এয়া কোনো নিৰ্বাচনক লৈ গ্ৰহণ কৰা সিদ্ধান্ত নহয়, এয়া এক স্থায়ী সিদ্ধান্ত। বিৰোধীক সমালোচনা কৰি সিন্ধেই কয়, "যিসকলে কেৱল টোল সংগ্ৰহ কৰিছিল তেওঁলোকে এতিয়া আমাক লক্ষ্য কৰি লৈছে। আমি 'ডেনা বেংক', কিন্তু তেওঁলোক সদায় 'লেনা বেংক' হৈ আহিছে।" উল্লেখ্য যে, মুম্বাইত নিৰ্মাণ কৰা ৫৫ খন উৰণ সেতুৰ খৰচ আদায়ৰ বাবে প্ৰথমে মায়ানগৰীৰ প্ৰৱেশদ্বাৰত স্থাপন কৰা হৈছিল টোল বুথ। প্ৰথমাৱস্থাত দলং আৰু পথৰ ৰক্ষণাবেক্ষণৰ ধন সংগ্ৰহৰ বাবে স্থাপন কৰা মুম্বাইৰ পাঁচোখন টোলবুথ দহ বছৰ পিছতো নিবিদাৰ জৰিয়তে চলাই থকাত সাধাৰণ জনতাৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হয়। যোৱা বছৰ মহাৰাষ্ট্ৰ চৰকাৰে ২০২৭ চনলৈ আৰু তিনি বছৰৰ বাবে টোল টেক্স আদায়ৰ সময় বৃদ্ধি কৰি প্ৰায় ১১ হাজাৰ কোটি টকা সংগ্ৰহৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল। কিন্তু টোল সংগ্ৰহৰ এই নীতিৰ বিৰুদ্ধে সময়ে সময়ে প্ৰতিবাদ জনাই আহিছে মুম্বাইবাসী বিভিন্ন সমাজকৰ্মী আৰু বিৰোধী ৰাজনৈতিক নেতাসকলে। মহাৰাষ্ট্ৰ নৱনিৰ্মাণ সেনা আৰু শিৱসেনাৰ দুয়োটা গোটৰে একাংশ নেতাইও মুম্বাইৰ সকলো বুথতে টোল ৰেহাইৰ দাবী জনাই আহিছিল। শেহতীয়াকৈ শিৱসেনাৰ নেতা তথা প্ৰাক্তন মন্ত্ৰী আদিত্য থাকৰেও মুম্বাইৰ সকলো প্ৰৱেশ পইণ্টত টোল ৰেহাইৰ দাবী উত্থাপন কৰে। ইয়াৰ পিছতে আজি সিন্ধে চৰকাৰে লঘু মটৰ গাড়ীৰ বাবে টোল সম্পূৰ্ণ ৰেহাই ঘোষণা কৰত চৰকাৰৰ এই সিদ্ধান্তক আদৰণি জনাইছে মহাৰাষ্ট্ৰ নৱনিৰ্মাণ সেনাৰ মুৰব্বী ৰাজ থাকেৰে। লক্ষণীয় যে, কিছুদিন পূৰ্বে টোল সংগ্ৰহ বন্ধ কৰাৰ দাবীৰে মুম্বাইৰ টোল বুথ ভাঙি পেলাইছিল ৰাজ থাকৰে আৰু তেওঁৰ দলৰ কৰ্মীসকলে। আজি চৰকাৰে ঘোষণা কৰা সিদ্ধান্তৰ পিছতে ৰাজ থাকৰেই কয়, "মুম্বাই মহানগৰ অঞ্চলত বসবাস কৰা সকলো নাগৰিকলৈ অভিনন্দন। আমি টোল সংগ্ৰহৰ স্বচ্ছতাৰ দাবীৰ বাবে কঠোৰ যুঁজ দিলোঁ। টোল বুথ ভাঙি পেলোৱাৰ বাবে আমাক সমালোচনা কৰা হৈছিল যদিও এতিয়া প্ৰতিজন মুম্বাইবাসীয়ে টোল ফ্ৰী যাত্ৰা কৰিব পাৰিব।" এনে পদক্ষেপৰ বাবে ৰাজ থাকৰেয়ে ৰাজ্য চৰকাৰক অভিনন্দন জনোৱাৰ বিপৰীতে আগন্তুক বিধানসভা নিৰ্বাচনক মনত ৰাখি এই কাম কৰা হোৱা নাই বুলি আশা প্ৰকাশ কৰে। ইফালে বিধানসভা নিৰ্বাচনক লৈ নিৰ্বাচন আয়োগে অধিসূচনা জাৰি কৰাৰ পূৰ্বে চৰকাৰৰ এই পদক্ষেপে সিন্ধে চৰকাৰৰ হতাশা প্ৰতিফলিত কৰিছে বুলি মন্তব্য কৰে উদ্ধৱ গোটৰ শিৱসেনা নেত্ৰী প্ৰিয়ংকা চতুৰ্বেদীয়ে। তেওঁ কয়, "নিৰ্বাচনী আচৰণ বিধিৰ মাত্ৰ কেইঘণ্টামান আগতে হতাশজনক ব্যৱস্থাই দেখুৱাইছে যে 'মহাঝুঠি' চৰকাৰে বুজি পাইছে যে তেওঁলোকৰ দিন উকলিবলৈ হৈছে। গতিকে জনসাধাৰণৰ ক্ৰোধৰ পৰা নিজকে ৰক্ষা কৰিবলৈ যিমান পাৰে সামান্য চেষ্টা কৰক আৰু নিজকে উদ্ধাৰ কৰক। এইখন চৰকাৰ এতিয়া আইন-শৃংখলাৰ পতনৰ বাবেও সাধাৰণ জনতাৰ ক্ৰোধৰ সন্মুখীন হৈছে।" তেওঁ লগতে কয় যে সিন্ধে চৰকাৰৰ টোল ৰেহাইৰ কৌশলী ৰাজনীতিয়েও এইবাৰ এখন চৰকাৰৰ পতন ৰুধিব নোৱাৰে।

# নীৰৱ দৰ্শক পৌৰসভা! শিৱসাগৰত পদপথ দখলেৰে বেহা ব্যৱসায়িক প্ৰতিষ্ঠানৰ

**ই- সংবাদ, শিৱসাগৰ, ১৪ অক্টোবৰঃ** পথৰ দুৰৱস্থাই ঐতিহাসিক শিৱসাগৰ চহৰবাসীক জ্বলা-কলা খুৱাই অহাৰ সময়তে এইবাৰ একাংশ বিয়াগোম ব্যৱসায়ীয়ে পদপথৰ ওপৰতে দোকান বহুৱাই চূড়ান্ত মইমতালি প্ৰদৰ্শন কৰিছে। জিলা প্ৰশাসনৰ তথা পৌৰসভাৰ নীতি নিৰ্দেশনা ভৰিৰে মোহাৰি একাংশ ব্যৱসায়ীয়ে অতি ব্যস্ততাপূৰ্ণ ভুবন চন্দ্ৰ গগৈ পথৰ কাষৰ পদপথ দখল কৰি বেহা চলাই থকাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিশেষকৈ পুষ্পাঞ্জলি আৰু ৰিতু ইলেকট্ৰনিকছ নামৰ ব্যৱসায়ীক প্ৰতিষ্ঠান দুখনে শাৰদীয় দুৰ্গোৎসৱ আৰু আগন্তুক দীপাৱলীৰ গইনা লৈ পথৰ ওপৰতে বিশালকায় চালি দি ডাঙৰ ডাঙৰ ইলেক্ট্ৰনিকছৰ সামগ্ৰীৰ বজাৰ মেলি দিছে। লক্ষ্যণীয় যে সাধাৰণ পাণ-তামোলৰ দোকান পদপথৰ পৰা উচ্ছেদ কৰিবলৈ সদায়েই উদগ্ৰীৱ হৈ থকা শিৱসাগৰ পৌৰসভা তথা প্ৰশাসন এই ব্যৱসায়ীক প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰত কিয় চকুমুদা কুলি হৈ আছে সেয়া ৰহস্যজনক। সৰ্বসাধাৰণ ৰাইজ তথা পথাচাৰিক অসুবিধাত পেলাই উক্ত ব্যৱসায়ীক প্ৰতিষ্ঠান দুখনে নিজৰ দোকানৰ সীমাৰ বাহিৰলৈ সামগ্ৰী সমূহ উলিয়াই ৰাস্তাত বেপাৰ কৰিবলৈ সাহস কৰাৰ মূলতে শিৱসাগৰ আৰক্ষী বুলিও অভিযোগ উঠিছে। শিৱসাগৰ আৰক্ষীয়ে দিয়া এখন এনঅ'চিৰ গইনা লৈয়ে পুষ্পাঞ্জলি নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনে দোকানৰ বাহিৰৰ পদপথ আৰু বি জি ৰোডলৈ সামগ্ৰী উলিয়াই বিক্ৰী কৰি আছে। লাভ কৰা তথ্য অনুসৰি "পুষ্পাঞ্জলি"ৰ কৰ্তৃপক্ষক আৰক্ষীয়ে এনঅ'চি প্ৰদান কৰিছিল ৮ অক্টোবৰত। কিন্তু প্ৰতিষ্ঠানখনে ৭ অক্টোবৰৰ পৰাই পথপথত চালি তৰি সামগ্ৰীৰ পোহাৰ মেলিছিল। ব্যৱসায় কৰাত কাৰো আপত্তি নাই। কিন্তু পথৰ ওপৰত চালি দি, পথচাৰীক অসুবিধাত পেলাই ব্যৱসায় কৰাৰ অধিকাৰ নাই বুলি সচেতন নাগৰিকে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। উল্লেখ্য যে আৰক্ষীয়ে পুষ্পাঞ্জলি নামৰ ব্যৱসায়ীক প্ৰতিষ্ঠানখনক এনঅ'চিহে দিছিল। আৰক্ষীৰ ফালৰ পৰা আপত্তি নাই যদিও পৌৰসভাৰ এলেকাত ব্যৱসায়িক প্ৰতিষ্ঠান খুলিবলৈ অথবা দোকানৰ পৰিসৰ বঢ়াবলৈ পৌৰসভাৰ অনুমতি ল'ব লাগে। কিন্তু উক্ত ব্যৱসায়িক প্ৰতিষ্ঠানে পৌৰসভাৰ পৰা তেনে যাবতীয় অনুজ্ঞাপত্ৰ তথা লিখিত অনুমতি নোলোৱাকৈয়ে কেনেকৈ পদপথৰ ওপৰত ব্যৱসায় কৰিবলৈ মৰসাহ কৰিলে তাকলৈয়ো প্ৰশ্ন উত্থাপন হৈছে। পৌৰসভাৰ একাংশ বিষয়ববীয়া, জিলা প্ৰশাসনৰ একাংশ বিষয়ববীয়াৰ সৈতে গোপন বুজাবুজি আছে নেকি বুলিও একাংশই প্ৰশ্ন উত্থাপন কৰিছে আৰু শীঘ্ৰেই পদপথ মুক্ত কৰাৰ দাবী জনাইছে।

# আন্তঃগাঁথনি সম্পূৰ্ণ নোহোৱাকৈ মুকলি পবিতৰা অভয়াৰণ্য

**ই-সংবাদ, মৰিগাঁও, ১৪ অক্টোবৰঃ** আন্তঃগাঁঠনি সম্পূৰ্ণ নোহোৱাকৈ খৰখেদাকৈ মুকলি কৰা হ'ল পবিতৰা অভয়াৰণ্য। এই অভিযোগক লৈ ব্যাপক চৰ্চা হ'ব ধৰিছে মৰিগাঁৱত। কেৱল যে অভিযোগ উত্থাপন হৈছে তেনে নহয়, পবিতৰা অভয়াৰণ্য দৰ্শনৰ বাবে অহা দেশী-বিদেশী পৰ্যটক উভতি যাবলগীয়া হৈছে। আন্তঃগাঁঠনি সম্পূৰ্ণ নোহোৱাকৈ আনুষ্ঠানিকভাৱে মুকলি কৰা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি দিনৰ ১০.৩০ বজাত পবিতৰা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ সমীপতে ফিটা কাটি ২০২৪-২০২৫ পৰ্যটন বৰ্ষৰ বাবে অভয়াৰণ্যৰ দ্বাৰ মুকলি কৰে বন আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। দ্বাৰ মুকলি অনুষ্ঠানত মন্ত্ৰীগৰাকীক সংগ দিয়ে মন্ত্ৰী পীযুষ হাজৰিকাই। অনুষ্ঠানত মায়ঙৰ পৰম্পৰাগত ৰজা তৰণীকান্ত সিংহ কোঁৱৰ, জাগীৰোড সমজিলাৰ আয়ুক্ত বিমান দাস, পবিতৰাৰ বনাঞ্চলিক বিষয়া নয়নজ্যোতি দাসৰ লগতে বন বিভাগৰ বহুকেইজন উচ্চপদস্থ বিষয়া আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বানে ধুই থৈ যোৱা পবিতৰা অভয়াৰণ্যৰ ভিতৰ অঞ্চলক সংযোগ কৰা বহুকেইটা বাট-পথ আজিও বিধ্বস্ত হৈ থকাৰ পৰিপ্ৰেক্ষিতত জীপ চাফাৰি মুকলি কৰিব পৰা নাই অভয়াৰণ্য কৰ্তৃপক্ষই। আজি অভয়াৰণ্যখনৰ অলংকাৰ স্বৰূপ হাড়ুক বিলৰ উত্তৰপাৰত ফিটা কাটি অভয়াৰণ্যৰ দ্বাৰ মুকলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অভয়াৰণ্যখনত থকা বন বিভাগৰ ৯টা হাতীৰে পৰ্যটকে হাতী ছাফাৰী কৰি আহিছে যদিও নৱেম্বৰ মাহৰ পৰাহে হাতী ছাফাৰী আৰম্ভ হ'ব বুলি কয় পবিতৰা কৰ্তৃপক্ষই। বন বিভাগৰ অধীনত পৰিচালিত ২০খন জীপ গাড়ীৰ জীপ চাফাৰী অভয়াৰণ্যখনৰ ভিতৰ অংশৰ বাট-পথসমূহৰ মেৰামতিৰ পিছতহে আৰম্ভ কৰা হ'ব বুলি পবিতৰা কৰ্তৃপক্ষৰ এক সূত্ৰৰ পৰা জানিব পৰা গৈছে। পবিতৰাৰ ডাক বাংলাৰ সন্মুখত আজি আচৰ্যজনকভাৱে অভয়াৰণ্য কৰ্তৃপক্ষই সাংবাদিকৰ প্ৰৱেশ নিষেধ কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। লক্ষণীয়ভাৱে ইয়াৰ কাৰণ মুকলিকৈ প্ৰকাশ কৰাৰ পৰা বিৰত আছে সংশ্লিষ্ট কৰ্তৃপক্ষ। আজি পবিতৰা পৰিভ্ৰমণৰ বাবে অহা বহু সংখ্যক পৰ্যটক হতাশ হৈ উভতি যাবলগীয়া ঘটনাই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। স্থানীয় সচেতন যুৱক তথা ব্লগাৰ চম্বক ডেকাই এই সম্পৰ্কে 'আজি পবিতৰাত এখন নাটক মঞ্চস্থ হ'ল' শীৰ্ষক এটি ভিডিঅ' প্ৰকাশ কৰাৰ পিছতেই চৌদিশে বিভাগটোক সমালোচনাৰ জোৱাৰ উঠা দেখিবলৈ পোৱা গৈছে।

## অকৰ্মণ্য বিধায়কৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ ৰাইজৰ

# উন্নয়নৰ ফোপোলা স্বৰূপ! মাজুলীত ঠেলাক এম্বুলেন্স কৰি মৃতদেহ নিলে ঘৰলৈ

**ই-সংবাদ, মাজুলী, ১৪ অক্টোবৰঃ** মাজুলীৰ স্বাস্থ্য খণ্ডৰ পয়ালগা অৱস্থাই বাৰে বাৰে মাজুলীবাসীক চিন্তিত কৰি আহিছে। আনহে নালাগে এখন মাত্ৰ স্বৰ্গৰথ বাহন লাভ নকৰিলে মাজুলীবাসীয়ে। পূৰ্বে থকা স্বৰ্গৰথ বাহন বিকল হৈ পৰাত আজি মাজুলীৰ মানুহে মৃতদেহ কঢ়িয়াবলগীয়া হৈছে ঠেলাত। তেনেদৰেই মাজুলীৰ জিলা চিকিৎসালয়ৰ পৰা দেওবাৰে নিশা দিপালি সেনাপতি নামৰ এগৰাকী লোকৰ মৃতদেহ ঠেলাত ঘৰলৈ নিবলগীয়া হয়। জানিব পৰা মতে, চামগুৰি বণিয়া গাঁৱলৈ দিপালি সেনাপতিৰ মৃতদেহ স্বৰ্গৰথ বাহনেৰ নি থকা অৱস্থাতে জিলা চিকিৎসালয়ৰ বাহনখন বিকল হয়। বিকল হোৱা স্থানৰ পৰা চামগুৰি বণিয়া গাঁৱলৈ প্ৰায় ২০ কিলোমিটাৰ পথ। বেলেগ এখন বাহন বিচাৰি হাবাথুৰি খাই পৰিয়ালে। গড়মূৰ সদৰ আৰক্ষীক এই সম্পৰ্কত জনাইছিল যদিও আৰক্ষীয়ে গুৰুত্ব নিদিয়াত উপায়ন্তৰ হৈ পৰিয়ালে এখন ঠেলাৰ ব্যৱস্থা কৰে। মৃতদেহ ঠেলাত তুলি প্ৰায় ২০ কিলোমিটাৰ এলেকা ঠেলি নিয়ে। ঘটনাই মাজুলীত প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। তথ্য-প্ৰযুক্তিৰ যুগত ঠেলাত মাজুলীৰ মানুহে মৃতদেহ ঘৰলৈ নিবলগীয়া হৈছে। উন্নয়নৰ ঢাক ঢোল বজাই থকা চৰকাৰখনে মাজুলীৰ স্বাস্থ্য খণ্ডৰ কেনে উন্নয়ন কৰিছে এই ঘটনাই স্পষ্ট কৰিছে। এখন স্বৰ্গৰথ বাহন নাপায় মাজুলীবাসীয়ে। মাজুলীবাসীৰ বাবে ইয়াতকৈ দুৰ্ভাগ্যজনক কথা কি হ'ব পাৰে বুলি কয় সচেতন ৰাইজে। মাজুলীৰ অকৰ্মণ্য বিধায়কগৰাকীয়ে মাজুলীৰ স্বাস্থ্য খণ্ডৰ উন্নয়নৰ কথাভাৱক বুলি মতপোষণ ক্ষোভ ব্যক্ত কৰিছে ৰাইজে। কেৱল বিজেপিয়ে সদস্য ভৰ্তি অভিযান চলাই থকাটোৱেই উন্নয়ন নে কি বুলি প্ৰশ্ন কৰাৰ লগতে মাজুলীৰ সমস্যাক বিধায়কগৰাকীয়ে গুৰুত্ব দিয়ক বুলি মতপোষণ কৰে সচেতন ৰাইজে।



ৰাইজৰ মৰম আৰু আগ্ৰহৰ প্ৰতি সহাঁৰি দি সাংসদ গৌৰৱ গগৈয়েও উঠিলে চেলফি

# লাহৰীঘাট সমজিলা সাংবাদিক সন্থা গঠন

**ই-সংবাদ ,লাহৰীঘাট, ১৪ অক্টোবৰঃ** ১৩ অক্টোবৰত মৰিগাঁও জিলাৰ কেইবাটাও সংবাদিক সংস্থাৰ প্ৰতিনিধিৰ উপস্থিতিত লাহৰীঘাট মহাবিদ্যালয়ত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। লাহৰীঘাট, মৈৰাবাৰী আৰু ভূৰাগাঁও অঞ্চলৰ বৈদ্যুতিন আৰু ছপা মাধ্যমৰ সাংবাদিকসকলৰ উপস্থিতিত সভাখন অনুষ্ঠিত হয়। জ্যেষ্ঠ সাংবাদিক ছাইফুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত সভাত জ্যেষ্ঠ সাংবাদিক আবুল কালামক সভাপতি, নছিদুৰ ৰহমানক কাৰ্যকৰী সভাপতি, লম্বোধৰ বৰুৱা আৰু মুস্তাফা জামানক যুটীয়া সম্পাদক হিচাপেলৈ ৩১ জনীয়া লাহৰীঘাট সমজিলা সাংবাদিক সন্থাৰ সমিতি গঠন কৰা হয়। সাধাৰণ সভাত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকা, মৈৰাবাৰীৰ জ্যেষ্ঠ সাংবাদিক ছামছুল আলম উপস্থিত থাকে। লাহৰীঘাট প্ৰেছ ক্লাব, মৈৰাবাৰী প্ৰেছ ক্লাব, মৈৰাবাৰী ৰিপ'ৰ্টাছ ক্লাব, লাহৰীঘাট আঞ্চলিক সাংবাদিক সংস্থা, লাহৰীঘাট মিডিয়া ক্লাৱ আদিকে ধৰি কেইবাটাও সাংবাদিক সংগঠনৰ উমৈহতীয়া মঞ্চ লাহৰীঘাট সমজিলা সাংবাদিক সন্থা গঠন কৰা হয়।

# ডাম্পাৰৰ দৌৰাত্ম্য, আঙাৰকাটাত পথ দুৰ্ঘটনা



**ই-সংবাদ, পৰ্বতঝোৰা, ১৪ অক্টোবৰঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাত অবৈধ শিল-বালি কঢ়িওৱা ডাম্পাৰৰ সন্ত্ৰাসত পথচাৰীয়ে ভয়-শংকাৰ মাজত দিন কটাবলগীয়া হৈছে। তাৰ মাজতে আজি পুৱা অবৈধভাৱে শিল-বালি কঢ়িওৱা এএছ-১৬-চি-৬৯৪৮ নম্বৰৰ তীব্ৰ বেগী ডাম্পাৰে ই-ৰিক্সাত খুন্দা মৰাৰ ফলত কেইবাগৰাকী লোক হতাহত হয়। বগৰীবাৰী অভিমুখী এএছ-১৭-চি-৮৩৯৮ নম্বৰৰ বেটাৰী চালিত ই-ৰিক্সাখনক পিছফালৰ পৰা প্ৰচণ্ড জোৰে খুন্দিওৱাৰ ফলত ই-ৰিক্সাখনত থকা তিনি যাত্ৰী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত কেইজনৰ ভিতৰত এজন বগৰীবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ আছিল। প্ৰত্যক্ষদৰ্শীয়ে বগৰীবাৰী আৰক্ষী থানাত খবৰ দিয়ে। বগৰীবাৰী আৰক্ষী উপস্থিত হৈ আঘাতপ্ৰাপ্ত যাত্ৰীক বগৰীবাৰী এম জি মডেল হাস্পতাললৈ প্ৰেৰণ কৰাৰ লগতে ই-ৰিক্সাখন আৰক্ষী থানালৈ নিয়ে। ডাম্পাৰখনে দুৰ্ঘটনা সংঘটিত কৰি পলাই পত্ৰং দিয়ে যদি বগৰীবাৰী আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। কোকৰাঝাৰ জিলা যান-বাহন আৰক্ষীয়ে অবৈধভাৱে শিল বালি কঢ়িওৱা ডাম্পাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলতে এতিয়া সন্ত্ৰাস আৰম্ভ কৰা বুলি জানিব পৰা গৈছে।

# কাৰ্বি আংলঙৰ শৈক্ষিক কৰ্মী বুদ্ধেশ্বৰ ডেকাৰ বিয়োগ

**ই-সংবাদ, মোৰাঝাৰ, ১৪ অক্টোবৰঃ** কাৰ্বি আংলং জিলাৰ শৈক্ষিক অভিযানৰ নিষ্ঠাৱান কৰ্মী বুদ্ধেশ্বৰ ডেকাই মৃত্যুক আকোৱালি লোৱাত শোকৰ ছাঁ পৰিছে। নগাঁও জিলাৰ ৰহাৰ কমাজানস্থিত বাসভৱনত বাৰ্ধক্যজনিত কাৰণত ইহলীলা সম্বৰণ কৰে। সৰববৰহী প্ৰধান শিক্ষকৰ মৃত্যুৰ খবৰ ৰাষ্ট্ৰ হোৱাত হাওৰাঘাটত শোকৰ ছাঁ পৰে। ১৯৪৩ চনৰ ১ মাৰ্চত নগাঁও জিলাৰ ৰহাৰ লাউফুলাবড়ি গাঁৱৰ এটা সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল বুদ্ধেশ্বৰ ডেকাই। প্ৰাথমিক শিক্ষা গাঁৱৰে বুনিয়াদী বিদ্যালয় গ্ৰহণ কৰে। ডিফু চৰকাৰী বালক উচ্চ মাধ্যমিক বিদ্যালয়ত স্কুলীয়া জীৱন সাং কৰি নগাঁও এডিপি কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছতে সত্তৰৰ দশকত ঢাপলি মেলে কাৰ্বি আংলঙলৈ। পাৰ্বত্য জিলাৰ শিক্ষা প্ৰসাৰ অভিযানৰ একনিষ্ঠ সেৱক ডেকাই সত্তৰৰ দশকত কাৰ্বি আংলং জিলাৰ ৰজাপথাৰ মধ্য ইংৰাজী বিদ্যালয় আৰু পৰৱৰ্তীকালত ১৯৭৭ চনৰ ১৫ এপ্ৰিলত হাওৰাঘাট তিনিআলিৰ কাৰ্কক উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে যোগদান কৰে।

# দুই ভণ্ডই ইছলামৰ নামত সামাজিক মাধ্যমত কৰিছে ভণ্ডামি!

**ই-সংবাদ, দলগাঁও, ১৪ অক্টোবৰঃ** পুনৰ বিতৰ্কত সোমাই পৰিছে তথাকথিত ইছলামৰ নামত ভণ্ডামি কৰা মোস্তফা কামাল আজহাৰি। সামাজিক মাধ্যমৰ আবোল-তাবোল কথা কোৱা সামাজিক মাধ্যমত ধৰ্মৰ নামত ভণ্ডামি কৰা আজহাৰিয়ে দুৰ্গা পূজা সম্পৰ্কত কৰা মন্তব্যক লৈ বিতৰ্কত সোমাই পৰিছে। পাঞ্জাবী-টুপী পিন্ধি দুৰ্গা পূজাৰ মণ্ডপত প্ৰৱেশ কৰি দেৱী দুৰ্গাৰ আশীষ লোৱা কাৰ্যক একাংশ লোকে সামাজিক মাধ্যম যোগে সমালোচনা কৰিছিল। যুৱতীক সাক্ষাৎ কৰিবলৈ পেণ্ট-চাৰ্ট পিন্ধি যোৱা ভণ্ড আজহাৰিয়ে দুৰ্গা পূজাৰ মণ্ডপত ইছলামিক লিবাজত যোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। তাৰ পাছতে কোৰাণত দুৰ্গা পূজাৰ কথা উল্লেখ থকা বুলি যুক্তি দিছিল আজহাৰিয়ে। এই আজহাৰিক উভতি ধৰিছে আৰু আন এজন ভণ্ড, সামাজিক মাধ্যমৰ মুফটি খ্যাত তথাকথিত মকিবুৰ ৰহমানে। মুফটি মকিবুৰে কোৰাণত দুৰ্গা পূজাৰ কথা উল্লেখ থকা বুলি প্ৰমাণ কৰিব পাৰিলে ২ কোটি টকা দিয়াৰ অফাৰ দিছে দৰঙৰ মুফতি মকিবুৰ ৰহমানে। আজহাৰিৰ ধৰ্মবিৰোধী কৰ্ম কৰা বুলি প্ৰতিক্ৰিয়া দি মকিবুৰে কয় যে মই এজন মুফটি। কোৰাণ-হাদিছময়ো পঢ়িছো। কোৰাণত যদি দুৰ্গা পূজাৰ কথা আছে আজহাৰিক দেখুওৱাই দিবলৈ প্ৰত্যাহ্বান





জনাইছো। যদি দেখাই দিব পাৰে তেন্তে তেওঁক ২ কোটি টকা নগদ দিম। ইফালে, ঈদ, কিম্বা পূজাৰ বতৰ হ'লেই বিতৰ্কিত মন্তব্য কৰি সংবাদ শিৰোনাম দখল কৰিব খোজা বুলি আজহাৰিৰ বিৰুদ্ধে অভিযোগ আনে নেমছুৰ সভাপতি বদৰুলে। বদৰুলে কয় যে ই এজন ভণ্ড, বেদ্বীন, কাফিৰ। এওঁক বেছি গুৰুত্ব নিদিয়াই ভাল। আজহাৰিয়ে হিন্দু ছোৱালীক ভাল পায়, বিয়া পাতিবলৈ হিন্দুৰ দৰে পূজা পাতল আৰম্ভ কৰিছে। ভাল পোৱা ছোৱালীৰ মন ৰাখিবলৈ আজহাৰিয়ে সোনকালেই হিন্দু ধৰ্মলৈ দীক্ষিত হ'ব। লাভ জেহাদৰ দৰে ঘটনা যাতে অসমত নহয় তাৰ বাবে আজহাৰিক গ্ৰেপ্তাৰ কৰিবলৈ অসম আৰক্ষী সঞ্চালক প্ৰধানক দাবী জনায় নেমছুৰ সভাপতি বদৰুলে। উল্লেখ্য যে, একাংশ লোকে ইছলাম ধৰ্মৰ নামত এনেকৈয়ে নিতৌ সামাজিক মাধ্যমত ভণ্ডামি কৰি ব্যৱসায় চলাই গৈছে। হকে-বিহকে সকলো কথা সামাজিক মাধ্যমলৈ আনি সামাজিক মাধ্যম কলুষিত কৰি গৈছে। অইন ধৰ্মক হেয় প্ৰতিপন্ন কৰিবলৈ যুক্ত দি সমাজখনক অস্থিৰ কৰাৰ লগতে সাম্প্ৰদায়িক সম্প্ৰীতি বিনষ্ট কৰিব খোজে। একাংশই টিভি চেনেলৰ টক-শ্বত পেনেলিষ্ট হিচাপে উপস্থিত থাকি বিৰোধী অন্য ধৰ্মৰ লোকক কটু বাক্যৰে সমালোচনা কৰে। ফলত ষ্টুডিঅ'ৰ ভিতৰত অৰাজক পৰিৱেশৰ সৃষ্টি হয়। যি দৃশ্য দেখি ধৰ্মৰ ভিত্তিত সমাজ দুটা ভাগত বিভক্ত হৈছে। ইয়াৰ অন্তৰালত এনে মুফটিসকল জড়িত।

# মৰিগাঁও জিলাৰ ১৯টা সমস্যা সমাধানৰ দাবীত মুখ্যমন্ত্ৰীক স্মাৰক যুৱ-ছাত্ৰ পৰিষদৰ

**ই-সংবাদ, মৰিগাঁও, ১৪ অক্টোবৰঃ** মৰিগাঁও জিলা প্ৰশাসনে ঢাক-ঢোল বজাই আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে মৰিগাঁও জিলা দিৱস উদযাপন কৰি থকাৰ সময়তে আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিয়ে জিলাখনৰ মূল সমস্যাসমূহ আঙুলিয়াই এখন দাবী চনদ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। সংগঠনটোৰ জিলা সভাপতি মিৰ্জা আৰিফ আলম আৰু সাধাৰণ সম্পাদক মাধুৰ্য্য ময়ুৰ বৰাই স্বাক্ষৰ কৰা চনদখনত বান-গৰাখহনীয়া সমস্যাক অতি শীঘ্ৰে স্থায়ী সমাধান কৰি গৰাখহনীয়াগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। মৰিগাঁওবাসী ৰাইজৰ চিকিৎসাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ শ্বহীদ তিলক-হেমৰাম-গুণাভিৰাম অসামৰিক চিকিৎসালয়খনত প্ৰতিটো বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ নিযুক্তি প্ৰদানৰ লগতে সদ্যনিৰ্মিত আইচিইউ কক্ষ শীঘ্ৰে মুকলি কৰি চিকিৎসালয়খনৰ আন্তঃগাঁঠনি উন্নিত কৰা, জিলা সদৰ স্থানত অসম চৰকাৰৰ পৰ্যটন বিভাগৰ দ্বাৰা পৰ্যটক নিবাস স্থাপন কৰাৰ দাবী জনায়। অসম চৰকাৰে ঘোষণা কৰা ব্ৰহ্মপুত্ৰৰ ওপৰত মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰু দৰং জিলাৰ মঙ্গলদৈ সংযোগী দলং শীঘ্ৰে নিৰ্মাণ কৰা, অসম ৰাজ্যিক পৰিবহন নিগমৰ দ্বাৰা জিলা সদৰ স্থানৰ পৰা অসমৰ উজনি-নামনিলৈ যাতায়তৰ কাৰণে পৰ্যাপ্ত সংখ্যক দিবা-নৈশ বাছৰ ব্যৱস্থা কৰাৰ সমান্তৰালভাৱে নিগমৰ মৰিগাঁও কাৰ্যালয়ৰ আন্তঃগাঠনি উন্নিত কৰা, জাগীৰোড-মৰিগাঁও সংযোগী মূল পথৰ জাগীভকত গাঁৰৰ কপিলীৰ ওপৰৰ অৰ্ধনিৰ্মিত দলংখনৰ কাম শীঘ্ৰ সম্পূৰ্ণ কৰাকে ১৯টা দাবী উত্থাপন কৰে জাতীয় সংগঠনটোৱে।



# কলগাছিয়াত দুৰ্গা পূজাৰ বতৰত চলিছে মুকলি জুৱাখেল

**ই-সংবাদ, কলগাছিয়া, ১৪ অক্টোবৰঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত হালধীয়াপাথাৰ গাঁৱত নিতৌ জুৱাৰ আড্ডা বহাৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষী প্ৰশাসন নিৰ্বিকাৰ হৈ থকাৰ ফলতে হালধীয়াপাথাৰ গাঁৱত প্ৰতিদিনে জুৱাৰ আড্ডা বহে। এই আড্ডাত লাখ লাখ টকাৰ জুৱা খেল হোৱাৰ অভিযোগ আনিছে স্থানীয় ৰাইজে। জুৱাৰ আড্ডাৰ ফলত অঞ্চলটোত পৰিৱেশ বিনষ্ট হৈছে। কোনো লোকে জুৱা খেলৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলেও জুৱাৰীসকলে ভ্ৰুক্ষেপ নকৰে। জনৈক লতিফ, জনৈক মাজেদ আলী, জনৈক মহিদুল আৰু জনৈক মনোৰ নেতৃত্বত প্ৰত্যেক দিনাই হালধীয়াপাথাৰত তিনি চাৰিটা গ্ৰুপে টিনৰ ঘৰ সাজি প্ৰায় ১০০ৰ অধিক জুৱাৰী জুৱাত অংশ লয়। কি ডেকা, কি যুৱক, কি বৃদ্ধ সকলোৱে জুৱাত অংশগ্ৰহণ কৰে। প্ৰশাসনে জুৱা খেল বন্ধ কৰিবলৈ সক্ষম হ'ব নে নাই? নে দিনৰ পোহৰতেই এনেদৰে জুৱাখেল চলিয়েই থাকিব। সেয়া এক লাখ টকীয়া প্ৰশ্ন? বৰপেটা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি শাহানুৰ ইছলামে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ নকৰাত তীব্ৰ নিন্দা কৰি অবৈধ জুৱা খেল বন্ধ কৰাৰ দাবী জনায়। অন্যথা গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।

# বিলাসীপাৰাত অগপৰ প্ৰতিষ্ঠা দিৱস

ই-সংবাদ, বিলাসীপাৰা, ১৪ অক্টোবৰঃ বিলাসীপাৰাতো অসম গণ পৰিষদে ৪০তম প্ৰতিষ্ঠা দিৱস পালন কৰে। বিলাসীপাৰা বিধান পৰিষদৰ কাৰ্যালয়ত পুৱা ৯ বজাত দলীয় পতাকা উত্তোলন কৰা হয়। পতাকা উত্তোলন কৰে বিলাসীপাৰা বিধান পৰিষদৰ সভাপতি অমৰেন্দ্ৰ নাথে। লগতে শ্বহীদ তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে অগপৰ বিৰশিং জৰুৱা বিধান পৰিষদৰ সভাপতি ওচমান গণিয়ে। কাৰ্যসূচীত দলৰ জ্যেষ্ঠ নেতাসকলক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিলাসীপাৰা বিধান পৰিষদৰ সভাপতি অমৰেন্দ্ৰ নাথৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত দলৰ সাংগঠনিক দিশ অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে আলোচনা কৰা হয়। কাৰ্যসূচীত প্ৰায় অৰ্ধ শতাধিক দলীয় কৰ্মী উপস্থিত থাকে।



অসম বিজেপিৰ কাৰ্যালয়ত হাৰিয়ানাৰ নতুন মুখ্যমন্ত্ৰী

# ধুহিত দালালৰূপী শিক্ষকক আটক

**ই-সংবাদ, ৰঙিয়া, ১৪ অক্টোবৰঃ** ৰঙিয়াৰ সমীপৱৰ্তী ধুহিত দেওবাৰে আৰক্ষীৰ নামত ধন সংগ্ৰহ কৰাৰ অভিযোগত এজন লোকক আটক কৰিছে আৰক্ষীয়ে। আটকাধীন লোকজন মণ্টু কলিতা বুলি জানিব পৰা গৈছে। পেচাত শিক্ষক মণ্টু কলিতা। দালালৰূপী শিক্ষকজনক স্থানীয় ব্যৱসায়ী ৰৌচন আলীৰ পৰা আৰক্ষীৰ পৰিচয় দি পূৰ্বে ধন নিছিল। দুটা কিস্তিত ধন সংগ্ৰহৰ পাছতে পুনৰ তৃতীয়টো কিস্তি নিবলৈ অহাত ৰাইজে আৱদ্ধ কৰে। দালালৰূপী শিক্ষক মণ্টু কলিতাই তৃতীয়টো কিস্তিৰ ধন নিবলৈ উপস্থিত হোৱাত স্থানীয় ৰাইজে আৱদ্ধ কৰি কঞা আৰক্ষীক গটাই দিয়ে।

# নগাঁৱত ৫১ কুণ্ডৰ মহাৰুদ্ৰ যজ্ঞৰ প্ৰথম স্তম্ভাৰোহন সম্পন্ন



**ই-সংবাদ, বেবেজীয়া, ১৪ অক্টোবৰঃ** নগাঁও চহৰৰ পূব আমোলাপট্টিৰ সাৰ্বজনীন নগাঁও শ্মশানঘাট শ্ৰী শ্ৰী শিৱমন্দিৰত ২২ জানুৱাৰীৰ পৰা পাঁচদিনীয়াকৈ অনুষ্ঠিত হ'ব ৫১ কুণ্ডৰ শ্ৰী শ্ৰী মহাৰুদ্ৰ যজ্ঞ। বিশ্ব শান্তি, জীৱজগতৰ কল্যাণাৰ্থে প্ৰাৰ্থনা আৰু মানৱ জীৱনৰ সংকট মোচনাৰ্থে মহাৰুদ্ৰ যজ্ঞত দুই লক্ষাধিক আহুতি প্ৰদান কৰা হ'ব। মহাৰুদ্ৰ যজ্ঞ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ অৰ্থে শক্তিশালী উদযাপন সমিতি গঠন কৰা হৈছে। সোমবাৰে ব্যয়বহুল ৫১ কুণ্ডৰ শ্ৰী শ্ৰীমহাৰুদ্ৰ যজ্ঞৰ প্ৰথম স্তম্ভাৰোপনৰ লগতে ধৰ্মধ্বজা উত্তোলন কৰা হয়। বিভিন্ন প্ৰান্তৰ শতাধিক ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত মাংগলিক ৰীতি-নীতিৰ মাজেৰে শ্ৰী শ্ৰী শ্মশানঘাট শিৱমন্দিৰৰ ন্যাস সমিতিৰ সম্পাদক প্ৰদীপ শৰ্মাই ধৰ্মধ্বজা উত্তোলনৰ লগতে স্তম্ভৰ উদ্বোধন কৰে। জেষ্ঠ নাগৰিক মুকুল শৰ্মাই বন্তি প্ৰজ্বলন কৰি আগন্তুক যজ্ঞ ভাগৰ কাম-কাজৰ আনুষ্ঠানিকভাবে শুভাৰম্ভ কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৫১ কুণ্ড যজ্ঞৰ সাধাৰণ সম্পাদক পংকজ চক্ৰৱৰ্তী, বৈদিক বিভাগৰ সম্পাদক দিলীপ শৰ্মা, মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক অনিল শৰ্মা, কোষাধ্যক্ষ বাবুল দাস, সাংবাদিক কনক হাজৰিকা উপস্থিত থাকে।

# ৩৪ সংখ্যাক মৰিগাঁও জিলা দিৱসঃ বলিউদ অভিনেতা ৰাকেশ বেদীৰ হাস্য-ব্যংগ নাট মঞ্চস্থ

**ই-সংবাদ, মৰিগাঁও, ১৪ অক্টোবৰঃ** মৰিগাঁৱত 'জিলিকাব লুইতৰে পাৰ' শীৰ্ষক বিষয়বস্তু লৈ আজিৰে পৰা দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে ৩৪ সংখ্যাক মৰিগাঁও জিলা দিৱস। মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত জিলা গঠনৰ দিনটো স্মৰণীয় কৰি মৰিগাঁও জিলা দিৱসত কৃষি আৰু ইয়াৰ আনুসংগিক ক্ষেত্ৰ, উদ্যান শস্য, কলা-সংস্কৃতি আৰু আৰ্থ-সামাজিক দিশত প্ৰতিফলিত কৰি প্ৰতিষ্ঠা দিৱস পালন কৰা হৈছে। প্ৰতিটো দিশ সামৰি বিকাশৰ এক নতুন ধাৰাৰে জিলাখনক আগবঢ়াই লৈ যোৱাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। গৱেষণামূলক কৰ্মপন্থা আৰু প্ৰতিগৰাকী নাগৰিকৰ ঐক্যবদ্ধ প্ৰয়াসেৰে জিলাখনৰ সম্ভাৱনাসমূহক উলিয়াই অনাৰ বাবে কাম কৰি যোৱাৰ উদ্দেশ্য লৈ জিলা প্ৰশাসনে মৰিগাঁও জিলা দিৱসৰ সৈতে সংগতি ৰাখি কাৰ্যসূচী গ্ৰহণ কৰিছে। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ কণ্ঠত প্ৰাণ পোৱা নদী সভ্যতাৰে জীৱন আৰু জীৱিকাক আলম লৈ গঢ়ি উঠা অসম মাতৃৰ সপোনক জিলিকাই তোলাৰ স্বপ্নকে সৰোগত কৰি এইবাৰ মৰিগাঁও জিলা দিৱসৰ মূল বিষয়বস্তু লোৱা হৈছে 'জিলিকাব লুইতৰে পাৰ'।

মৰিগাঁও জিলা দিৱসৰ আজি পুৱাৰ ভাগত মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত পুৱা ৯ বজাত পতাকা উত্তোলন কৰে মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে আৰু বন্তি প্ৰজ্বলন কৰে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। অনুষ্ঠানতে ড০ অচ্যুত কুমাৰ দাসৰ দ্বাৰা সম্পাদিত 'জিলিকাব লুইতৰে পাৰ' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে বিধায়ক ৰমাকান্ত দেউৰীয়ে। অনুষ্ঠানত প্ৰাক্তন বিধায়ক হৰেন্দ্ৰ বৰা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মা, অসম উন্নতি সভাৰ সম্পাদক অতনু কুমাৰ শৰ্মা, বিশিষ্ট সমাজকৰ্মী অজিত ডেকা উপস্থিত থাকে। স্কুল খেলপথাৰৰ পৰা ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামলৈ এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। দুপৰীয়াৰ জাগীৰোড মহাবিদ্যালয়ত 'অৰ্থনৈতিক পৰিৱৰ্তনৰ বাবে মৰিগাঁও জিলাৰ বিভিন্ন সম্ভাৱনা' শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট লেখক, বিশ্লেষক ড০ প্ৰদ্যুম্ন গোস্বামীয়ে বিষয়বস্তুৰ ওপৰত তথ্য সমৃদ্ধ ভাষণ প্ৰদান কৰে। আলোচনা চক্ৰত মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, জাগীৰোড উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দিব্যজ্যোতি নেওগে অংশগ্ৰহণ কৰে। বিয়লি মৰিগাঁৱৰ ঐতিহ্যমণ্ডিত চাৰণবিলৰ পাৰত কবি সন্মিলন অনুষ্ঠিত হয়। কবি সন্মিলনত অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক প্ৰতাপ হাজৰিকা, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়া, ভীমবৰ দেউৰী বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক মিলেশ্বৰ পাতৰ, বিশিষ্ট কবি লেখিকা ৰীণা ডেকা, শেৱালী শৰ্মা বৰকটকীয়ে অংশগ্ৰহণ কৰে। নিশা মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত জনপ্ৰিয় বলিউদ অভিনেতা ৰাকেশ বেদীৰ হাস্য ব্যংগ একাংকিকা নাট 'মাছাজ' মঞ্চস্থ কৰা হয়। ১৫ অক্টোবৰৰ মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত পুৱা ১১ বজাত 'অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত মৰিগাঁও জিলাৰ সম্ভাৱনা' শীৰ্ষক বিষয় লৈ এখন যুৱ সমাৰোহৰ অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত বৰঙাবাৰীৰ মতিৰাম বৰা স্কুল খেলপথাৰত মহিলাৰ প্ৰীতি ফুটবল খেল অনুষ্ঠিত হ'ব। সন্ধিয়া ৭ বজাত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত সাংস্কৃতিক সন্ধিয়া আৰু জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ গীতৰ শৰাই।

# শেষ পৃষ্ঠা

## দুৰ্গা বৰা কাপ ফুটবল

# ছেমিত আমগুৰি



**ই-সংবাদ, আমগুৰি, ১৪ অক্টোবৰঃ** নামতি ক্ৰীড়া সন্থাৰ উদ্যোগত নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হৈ থকা দুৰ্গা বৰা কাপ ফুটবল টুৰ্ণামেণ্টত আমগুৰি ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ দলটি ছেমি ফাইনেলত উপনীত হৈছে। টুৰ্ণামেণ্টৰ আজি বিয়লি অনুষ্ঠিত এখন অত্যন্ত প্ৰতিদ্বন্দিতামূলক খেলত দলটোৱে শক্তিশালী নামৰূপ টাউন ক্লাবক ৪-২ গলৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনৰ প্ৰথমাৰ্ধত আমগুৰিৰ দলটি ১-০ গলত আগবাঢ়ি থাকে। দলৰ হৈ প্ৰথমটো গল স্ক'ৰ কৰে টিকলু কৰ্মকাৰে। সেইদৰে দ্বিতীয়াৰ্দ্ধৰ পঞ্চম মিনিটত নামৰূপ দলৰ হৈ তন্ময় গগৈয়ে সমতা স্থাপন কৰে। ইয়াৰ পাঁচ মিনিটৰ পিছত আমগুৰিৰ হৈ ঋষিৰাজ কোঁৱৰে দলক পুনৰ অগ্ৰগতি দিয়ে যদিও নামৰূপ দলৰ হৈ নিৰেন গগৈয়ে সমতাসূচক গল স্ক'ৰ কৰে। পৰৱৰ্তী সময়ত ঋষি ভুমিজে পেনাল্টিৰ সহায়ত এটা আৰু ঋষিৰাজ কোঁৱৰে ব্যক্তিগতভাৱে দ্বিতীয়টো আৰু দলৰ হৈ সামগ্ৰিকভাৱে চতুৰ্থটো গল স্ক'ৰ কৰি নিজৰ দলক ৪-২ ব্যৱধানত জয়ৰ সোৱাদ দিয়ে। টুৰ্ণামেণ্টত আমগুৰিৰ দলটিয়ে অহা ১৭ অক্টোবৰত তিনিচুকীয়াৰ বাৰেকুৰি আৰ এছ এচ'চিয়েশ্যনৰ বিৰুদ্ধে ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব। উল্লেখ্য যে যোৱা ১৩ অক্টোবৰৰ পৰা আৰম্ভ হোৱা হোৱা ফুটবল টুৰ্ণামেণ্টখনৰ ফাইনেল অনুষ্ঠিত হ'ব অহা ২০ অক্টোবৰত।



পাকিস্তানক পৰাস্ত কৰি ছেমিত প্ৰৱেশৰ অন্তত কিৱি দলটোৰ উল্লাস




মহিলা টি-২০ বিশ্বকাপত পাকিস্তানৰ বিৰুদ্ধে উইকেট দখলৰ পিছত নিউজিলেণ্ডৰ ইডেন কাৰ্ছন

## নিৰ্ণায়ক মেচত পৰাজয়ক লৈ সমালোচিত হৰমনপ্ৰীত কৌৰ

# মহিলা বিশ্বকাপৰ পৰা খালী হাতেই উভতিল ভাৰত

**ডুবাই, ১৪ অক্টোবৰঃ** ক্ৰিকেটত যিটো দলৰ পৰাজয় চাবলৈ ভাৰতীয় অনুৰাগীসকল বৈ থাকে, সোমবাৰে সেই দলটোৰে জয় কামনা কৰিবলগীয়া হৈ পৰিছিল সমগ্ৰ দেশ। তাৰপিছতো কিন্তু শেষৰক্ষা নহ'ল ভাৰতীয় মহিলা ক্ৰিকেট দলটোৰ। ডুবাইত অনুষ্ঠিত টি-২০ বিশ্বকাপৰ মেচখনত নিউজিলেণ্ডৰ হাতত ৫৪ ৰানত পৰাস্ত হয় পাক দলটো। ইয়াৰ লগে লগে প্ৰতিযোগিতাখনত নিৰ্বাপিত হয় ভাৰতৰ আশা। আজিৰ মেচখনত নিউজিলেণ্ডে পাক দলটোক নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেট হেৰুৱাই ১১০ ৰান সংগ্ৰহ কৰি জয়ৰ বাবে ১১১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল। কিন্তু বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈ দলটোৱে মাত্ৰ ১১.৪ অভাৰত ৫৬ ৰানতে অল আউট হয়। পাকিস্তানৰ এই পৰাজয়ৰ ফলস্বৰূপে গ্ৰুপ 'এ'ৰ পৰা অষ্ট্ৰেলিয়াৰ সৈতে ছেমি ফাইনেলত প্ৰৱেশ কৰে কিৱিয়ে। ৪ পইণ্ট সংগ্ৰহ কৰি বিগত বিশ্বকাপৰ দৰে এইবাৰো খালী হাতেৰে ঘৰমুৱা হ'বলৈ বাধ্য হৈ পৰে ভাৰতীয় মহিলা দলটো। উল্লেখ্য যে গ্ৰুপ পৰ্যায়ৰ অন্তিমখন মেচত অষ্ট্ৰেলিয়াৰ হাতত পৰাস্ত হোৱাৰ পিছতে প্ৰতিযোগিতাখনত নিজৰ পথ কণ্টকময় কৰি তুলিছিল হৰমনপ্ৰীত কৌৰৰ দলটোৱে। শুকুৰবাৰৰ মেচখনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতীয় দলটোক জয়ৰ বাবে অন্তিম অবাৰত প্ৰয়োজন আছিল ১৪ ৰানৰ। প্ৰথমটো বলত এক ৰান সংগ্ৰহ কৰে হৰমনপ্ৰীতে। উইকেটত তিষ্ঠি থকা সত্বেও প্ৰয়োজনৰ সময়তো ছিংগল ছিংগলকৈ ৰান সংগ্ৰহ কৰাক লৈ প্ৰশ্নৰ সন্মুখীন হৈছে হৰমনপ্ৰীত। এটা সময়ত ভাৰতক ৩টা বলত ১৩ ৰানৰ প্ৰয়োজন হৈছিল। সেই সময়তো হৰমনপ্ৰীতে ১ৰান সংগ্ৰহ কৰাৰ ফলত ভাৰতে ৯ ৰানত পৰাস্ত হ'বলগীয়া হয়। অষ্ট্ৰেলিয়া' ৮ উইকেট হেৰুৱাই সংগ্ৰহ কৰা ১৫১ ৰানৰ বিপৰীতে ভাৰতে ৯ উইকেট হেৰুৱাই ১৪২ ৰানতে থমকি ৰয়। হৰমনপ্ৰীতে ৪৭টা বলত ৫৪ ৰানৰ অপৰাজিত ইনিংছ খেলে যদিও সেয়াও অথলে যায়।

# নগাঁৱৰ টুকটুকীত ৭ দিনীয়াকৈ স্কাউট-এণ্ড-গাইডৰ প্ৰশিক্ষণ শিবিৰ

**ই-সংবাদ, বেবেজীয়া, ১৪ অক্টোবৰঃ** নগাওঁ জিলাৰ টুকটুকীত সাতদিনীয়াকৈ অনুষ্ঠিত হৈছে স্কাউট এণ্ড গাইডৰ বুনিয়াদী প্ৰশিক্ষণ শিবিৰ। টুকটুকী দাৰুল উলুম মাদ্ৰাছাত অসম জমীয়ত য়ুথ ক্লাৱৰ উদ্যোগত প্ৰথমবাৰ আয়োজিত হৈছে প্ৰশিক্ষণ শিবিৰ। প্ৰশিক্ষণ শিবিৰত ৪৫ জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। ১৩ অক্টোবৰৰ পৰা আৰম্ভ হোৱা প্ৰশিক্ষণ শিবিৰ অহা ২০ অক্টোবৰত সামৰণি পৰিব। প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষক জিতেন্দ্ৰ নাৰায়ণ বৰুৱা, পাৰ্থ বৰা, চফিকুল হক, আজাহাৰুদ্দিন আহমেদ আৰু নাচিৰুদ্দিনে প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰিছে। শিবিৰৰ শুভাৰম্ভণি অনুষ্ঠানত নগাওঁ জিলা জমীয়তৰ সম্পাদক আব্দুছ চালাম কাছিমি, অসম ৰাজ্যিক দ্বিনী তালিমী বৰ্ডৰ সম্পাদক মৌলানা আব্দুল নুৰৰ লগতে কটহগুৰি টুকটুকী দাৰুল উলুম মাদ্ৰাছাৰ শিক্ষকসকল উপস্থিত থাকে।



newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)